




গুৱাহাটী আৰু নগাঁৱৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰবাহ

শুকুৰবাৰ ● ১২ ছেপ্টেম্বৰ ২০২৫/২৬ ভাদ ১৯৪৩ শক ● দাম ৫.০০ টকা ● চতুৰ্দশ বছৰ
● সংখ্যা - ২১ ● Vol - 14, Issue - 21


# প্ৰধানমন্ত্ৰী মোদীৰ ১৪ ছেপ্টেম্বৰৰ প্ৰস্তাৱিত দৰং ভ্ৰমণৰ প্ৰস্তুতিৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে

## লক্ষাধিক লোকৰ সমাগমেৰে অনুষ্ঠিত হ'বলগীয়া সভাত প্ৰধানমন্ত্ৰীয়ে আধাৰশিলা স্থাপন কৰিব একাধিক প্ৰকল্পৰ



**দিছপুৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দৰং জিলাৰ মঙলদৈত উপস্থিত হৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰস্তাৱিত আগন্তুক দৰং ভ্ৰমণৰ সামগ্ৰিক প্ৰস্তুতিৰ বুজ লয়। তেওঁ প্ৰস্তাৱিত দৰং চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ চৌহদত অনুষ্ঠিত হ'বলগীয়া মূল সভাস্থলী পৰিদৰ্শন কৰে আৰু জিলা প্ৰশাসনৰ লগতে কৰ্তব্যত নিয়োজিত সংশ্লিষ্ট পক্ষসমূহৰ সৈতে এক বৈঠকত মিলিত হৈ প্ৰধানমন্ত্ৰীৰ ভ্ৰমণ সম্পৰ্কীয় বিভিন্ন দিশৰ পৰ্যালোচনা কৰে। এই পৰ্যালোচনাকালত মুখ্যমন্ত্ৰী ড° শৰ্মাই সভাত অংশগ্ৰহণ কৰিবলগীয়া ৰাইজৰ বাবে পৰ্যাপ্ত খোৱাপানীৰ ব্যৱস্থা কৰা, যান-বাহনৰ পাৰ্কিং ব্যৱস্থাপনা, অনাময় ব্যৱস্থা, প্ৰাথমিক চিকিৎসাৰ সুবিধা আদি পৰ্যাপ্ত ৰূপত উপলব্ধ কৰিবলৈ প্ৰশাসনক নিৰ্দেশ দিয়ে। প্ৰধানমন্ত্ৰীৰ সভাৰ সময়ছোৱাতো যাতে সভাস্থলীৰ সমীপৰ ৰাষ্ট্ৰীয় ঘাইপথেদি এম্বুলেন্স আদি জৰুৰীকালীন সেৱাৰ বাহন নিৰ্বিঘ্নে চলাচল কৰিব পাৰে, সেয়া সুনিশ্চিত কৰিবলৈ তেওঁ যান-বাহন আৰক্ষী আৰু প্ৰশাসনক নিৰ্দেশ দিয়ে। আনহাতে সভাৰ পৰৱৰ্তী দিনটোত সভাস্থলীৰ চৌহদ পৰিচ্ছন্নকৰণৰ বাবে মঙলদৈ পৌৰসভাক এক স্বচ্ছতা কাৰ্যসূচী গ্ৰহণৰ বাবেও তেওঁ নিৰ্দেশ দিয়ে। এই কাৰ্যসূচীত স্বেচ্ছাসেৱী সংগঠনেও সহযোগিতা আগবঢ়াব বুলিও তেওঁ কয়। উল্লেখযোগ্য যে, অহা ১৩ ছেপ্টেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে অসমলৈ আহিবলগা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১৪ ছেপ্টেম্বৰৰ প্ৰস্তাৱিত দৰং জিলা ভ্ৰমণৰ সময়ত মঙলদৈত প্ৰায় ৫৬৭ কোটি টকা ব্যয়েৰে দৰং চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ লগতে এখন জি এন এম স্কুল আৰু এখন নাৰ্ছিং কলেজৰ আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে প্ৰায় ৭ হাজাৰ ১০ পৃষ্ঠাত

# সমাগত দুৰ্গা পূজাৰ আগেয়ে গুৱাহাটীৰ উন্মুক্ত পদপথ তথা মেনহলসমূহ বন্ধ তথা মেৰামতি কৰাৰ বাবে লোকনিৰ্মাণ বিভাগক নিৰ্দেশ মুখ্যমন্ত্ৰীৰ



**দিছপুৰ ঃ** লোকসেৱা ভৱনৰ সভাকক্ষত অনুষ্ঠিত এখন বৈঠকত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটী মহানগৰীৰ উন্মুক্ত পদপথ তথা মেনহলসমূহ সমাগত দুৰ্গা পূজাৰ আগেয়ে বন্ধ তথা মেৰামতি কৰাৰ বাবে লোকনিৰ্মাণ বিভাগক নিৰ্দেশ প্ৰদান কৰে। এই কাৰ্যক প্ৰাথমিকতা প্ৰদান কৰিবলৈও তেওঁ নিৰ্দেশ দিয়ে। বৈঠকত মুখ্যমন্ত্ৰীয়ে পৰিষ্কাৰকৰণৰ বাবে নলা এটাৰ ঢাকনি খোলাৰ পৰা আৱৰ্জনা আঁতৰোৱাৰ পিছত ঢাকনি পুনৰ যথাস্থানত স্থাপন কৰাৰ দিশত এটা আদৰ্শ পৰিচালনা বিধি (এছ অ' পি) প্ৰস্তুত কৰিবলৈও নিৰ্দেশ প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে লোকনিৰ্মাণ বিভাগে এই কামটোক অতি গুৰুত্ব সহকাৰে গ্ৰহণ কৰি দুৰ্গা পূজাৰ আগেয়ে মহানগৰীৰ সকলো উন্মুক্ত পদপথ তথা মেনহলসমূহ বন্ধ তথা মেৰামতি কৰাৰ কাম সম্পূৰ্ণ কৰি তুলিব লাগিব। তদুপৰি তেওঁ পূজাৰ আগেয়ে নুনমাটিৰ পৰা দীঘলীপুখুৰীলৈকে নিৰ্মীয়মান উৰণ সেতুখনৰ চানমাৰি অংশৰ তলচোৱা জনসাধাৰণৰ যাতায়াতৰ বাবে সুচল কৰি তুলিবলৈও লোকনিৰ্মাণ বিভাগক নিৰ্দেশ প্ৰদান কৰে। এই বৈঠকত মুখ্যমন্ত্ৰীয়ে সমাগত দুৰ্গা পূজাক কেন্দ্ৰ কৰি জনসমাগম অধিক হ'বলগীয়া গুৱাহাটী মহানগৰীৰ উপৰি কাছাৰ আৰু শ্ৰীভূমি জিলাৰ গুৰুত্বপূৰ্ণ পথসমূহ শীঘ্ৰে মেৰামতি কৰিবলৈও লোকনিৰ্মাণ বিভাগক নিৰ্দেশ দিয়ে। এই বৈঠকত মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব ড° কে কে দ্বিৱেদী, গুৱাহাটী পৌৰ নিগমৰ আয়ুক্ত এম এচ লক্ষ্মীপ্ৰিয়া, লোকনিৰ্মাণ বিভাগৰ আয়ুক্ত তথা বিশেষ সচিব পবন টেৰাং, বিভাগৰ বিশেষ সচিব বিভূতি শইকীয়া আৰু মুখ্য অভিযন্তা (পথ) সঞ্জীৱ শ্যামকে ধৰি কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে।

# ৯ ছেপ্টেম্বৰ ২০২৫ তাৰিখে অনুষ্ঠিত হোৱা কেবিনেট বৈঠকৰ সিদ্ধান্তসমূহ

**দিছপুৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই লোকসেৱা ভৱনত অনুষ্ঠিত মন্ত্ৰী পৰিষদৰ বৈঠকত সভাপতিত্ব কৰে। বৈঠকত নিম্ন লিখিত সিদ্ধান্তসমূহ গ্ৰহণ কৰা হয়—

- ৰাজ্য চৰকাৰৰ কেবিনেটে হিমাচল প্ৰদেশত বৰষুণৰ ফলত সৃষ্টি হোৱা দুৰ্যোগজনিত ক্ষয়-ক্ষতি মোকাবিলাৰ বাবে মুখ্যমন্ত্ৰীৰ ৰাজহুৱা জৰুৰীকালীন আঁচনিৰ পৰা 'হিমাচল প্ৰদেশৰ মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজি'লৈ ৫ কোটি টকাৰ আৰ্থিক অনুদান প্ৰদানত অনুমোদন জনায়।
- অসম চিকিৎসা শিক্ষা সঞ্চালকালয়ৰ অধীনস্থ যোৰহাট মেডিকেল কলেজ আৰু হাস্পতালৰ লগতে স্বাস্থ্য সেৱা সঞ্চালকালয়ৰ অধীনস্থ মডেল হাস্পতালসমূহত কৰ্মৰত ২০ গৰাকী ফিজিঅ'থেৰাপিষ্ট, স্পীচ থেৰাপিষ্ট, গাণনিক আৰু কোষাধ্যক্ষৰ বেতন বৈষম্য সংশোধনত অনুমোদন জনায়। ১০ পৃষ্ঠাত




# ডিব্ৰুগড়ত আগন্তুক শাৰদীয় দুৰ্গোৎসৱৰ উদ্‌যাপনৰ প্ৰস্তুতি আৰু আয়োজন সন্দৰ্ভত আলোচনা সভা




**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ঃ** ডিব্ৰুগড় জিলা প্ৰশাসনৰ উদ্যোগত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আগন্তুক ২০২৫ বৰ্ষৰ দুৰ্গা পূজা উদ্‌যাপনৰ প্ৰস্তুতি আৰু আয়োজন সন্দৰ্ভত জিলাখনৰ সকলো দুৰ্গাপূজা কমিটিৰ বিষয়ববীয়াৰ সৈতে এখনি বৈঠক অনুষ্ঠিত হয়। বৈঠকত পূজা উদ্‌যাপনৰ সময়ত সৰ্বসাধাৰণ ৰাইজৰ সুৰক্ষা, যানবাহনৰ নিয়মাৱলী, পূজা মণ্ডপ সমূহৰ নিৰাপত্তা, পোহৰৰ ব্যৱস্থা, প্ৰতিমা বিসৰ্জন আদি বিভিন্ন বিষয়ৰ ওপৰত আলোচনা কৰা হয়। সভাৰ আৰম্ভণিতে বিগত বৰ্ষৰ কাৰ্যবিৱৰণীখন অতিৰিক্ত আয়ুক্ত তথা নাহৰকটীয়া সমজিলা আয়ুক্ত বিৰাজ বৰুৱাই পাঠ কৰে। দুৰ্গা পূজা উদ্‌যাপনৰ ক্ষেত্ৰত জিলা প্ৰশাসনে কিছু নিয়মাৱলী জাৰি কৰিছে। সেই অনুসৰি পূজা কমিটি সমূহে জিলা প্ৰশাসনৰ পৰা আগতীয়াকৈ প্ৰয়োজনীয় অনুমতি লোৱাৰ লগতে সংশ্লিষ্ট বিভাগৰ পৰাও আপত্তি বিহীন প্ৰমাণপত্ৰসমূহ সংগ্ৰহ কৰিব লাগিব। প্ৰতিটো পূজা মণ্ডপত চি চি টিভি লগোৱাটো বাধ্যতামূলক। অগ্নি নিৰ্বাপনৰ সামগ্ৰী পূজা মণ্ডপত ৰাখিব লাগিব। প্ৰতিটো পূজা মণ্ডপত ৰাইজৰ বাবে বিশুদ্ধ খোৱাপানীৰ সুব্যৱস্থা কৰিব লাগিব। মণ্ডপসমূহত পুৰুষ আৰু মহিলাৰ বাবে প্ৰৱেশ আৰু প্ৰস্থানৰ পৃথক পৃথক ব্যৱস্থা কৰিব লাগিব। পূজা কমিটিসমূহে পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব আৰু পৰ্যাপ্ত ডাষ্টবিনৰ ব্যৱস্থা কৰিব লাগিব। পূজা মণ্ডপ নিৰ্মাণৰ সময়ত ৰাজহুৱা সম্পত্তিৰ ক্ষয় ক্ষতি কৰিব নোৱাৰিব। পূজা মণ্ডপৰ চাৰিওফালে পৰ্যাপ্ত পোহৰৰ ব্যৱস্থা কৰিব লাগিব। পূজা কমিটিসমূহে পৰ্যাপ্ত পৰিমাণৰ স্বেচ্ছাসেৱক নিয়োগ কৰিব লাগিব আৰু স্বেচ্ছাসেৱকসকলৰ নাম সমূহ পুলিচ ভেৰিফিকেচনৰ বাবে তেওঁলোকৰ নিকটৱৰ্তী আৰক্ষী থানাত আগতীয়াকৈ জমা দিব লাগিব। দেৱীৰ প্ৰতিমাসমূহ প্ৰকৃতিৰ অনুকূল সামগ্ৰীৰে নিৰ্মিত হ'ব লাগিব। নিশাৰ ভাগত দুৰ্গা পূজাস্থলীৰ যাৱতীয় সুৰক্ষাৰ ক্ষেত্ৰত পূজা কমিটিসমূহে ব্যৱস্থা ল'ব লাগিব। পূজা কমিটিসমূহে পূজা মণ্ডপৰ ওচৰে পাজৰে মাদক দ্ৰব্য ব্যৱহাৰৰ ওপৰত চোকা নজৰ ৰাখিব লাগিব। পূজা উপলক্ষে কোনো ধৰ্মীয় সমদল উলিয়াব লগা হ'লে, তাৰ বাবে আগতীয়াকৈ জিলা প্ৰশাসনৰ অনুমতি ল'ব লাগিব। জৰুৰীকালীন ফোন নম্বৰ সমূহ ভক্তগণৰ সুবিধাৰ্থে পূজা মণ্ডপত সকলোৱে দেখাকৈ প্ৰদৰ্শিত কৰি ৰাখিব লাগিব। প্ৰতিমা বিসৰ্জনস্থলীত সীমিত সংখ্যক লোকেহে অংশগ্ৰহণ কৰিব পাৰিব। অতিৰিক্ত জিলা আয়ুক্ত বিৰাজ বৰুৱাই জিলাখনত শান্তি-শৃংখলা বজাই ৰাখি আগন্তুক দুৰ্গাপূজা শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাত সকলোৰে সহায়-সহযোগিতা আন্তৰিকতাৰে কামনা কৰে। এই বৈঠকত ডিব্ৰুগড় পৌৰ নিগমৰ আয়ুক্ত জয় বিকাশ, ডিব্ৰুগড় পৌৰ নিগমৰ উপ-মেয়ৰ উজ্বল ফুকন, অতিৰিক্ত আৰক্ষী অধীক্ষক নিৰ্মল ঘোষ, ডিব্ৰুগড় পূব ৰাজহচক্ৰৰ চক্ৰ বিষয়া সমুজ্জল বৰা, নিৰ্বাচনী বিষয়া প্ৰাঞ্জীল গগৈ, সহকাৰী আয়ুক্ত সুৰভী শ্ৰীৱাস্তৱা প্ৰমুখ্যে আৰক্ষী তথা জিলা প্ৰশাসনৰ অন্যান্য বিষয়ববীয়া, আৰক্ষীৰ যান-বাহন শাখা, অগ্নিনিৰ্বাপক বাহিনী, বিদ্যুৎ বিভাগ, লোকনিৰ্মাণ (পথ) আৰু লোকনিৰ্মাণ (গৃহ) বিভাগ, জলসম্পদ বিভাগ, প্ৰদূষণ নিয়ন্ত্ৰণ বিভাগৰ বিষয়াসকল আৰু পূজা কমিটিসমূহৰ সভাপতি, সম্পাদক আৰু সদস্যসকল উপস্থিত থাকে।

# কামৰূপত ৬৪ সংখ্যক শিক্ষক দিৱস উদ্‌যাপন

**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** বিশ্ৰবিশ্ৰুত দাৰ্শনিক পণ্ডিত তথা ভাৰতৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণনৰ পৱিত্ৰ জন্মদিনটো দেশৰ আন স্থানৰ লগতে কামৰূপ জিলাতো শিক্ষক দিৱসৰূপে উদ্‌যাপন কৰা হয়। কামৰূপ জিলা প্ৰশাসন আৰু শিক্ষা বিভাগ, কামৰূপৰ উদ্যোগত গুৱাহাটী বায়'টেক পাৰ্ক প্ৰেক্ষাগৃহত অনুষ্ঠিত ৬৪ সংখ্যক শিক্ষক দিৱসৰ কাৰ্যসূচী দাৰ্শনিক পণ্ডিত ড° সৰ্বপল্লী ৰাধাকৃষ্ণনৰ প্ৰতিচ্ছবিত মাল্যৰ্পণ আৰু বন্তি প্ৰজ্বলনৰে আৰম্ভ হয়। ৬৪ সংখ্যক শিক্ষক দিৱসৰ অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকে এগৰাকী সুবক্তা, বিশিষ্ট কবি তথা লেখক তথা অসম অগ্নি আৰু দুৰ্যোগ প্ৰশমন সেৱাৰ উপ সঞ্চালক নন্দ সিং বৰকলা। মুখ্য অতিথিৰূপে প্ৰদান কৰা বক্তব্যত নন্দ সিং বৰকলাই বৰেণ্য দাৰ্শনিক পণ্ডিত, বিদ্বান মনীষী, শিক্ষাবিদ ড° সৰ্বপল্লী ৰাধাকৃষ্ণনৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা জনোৱাৰ লগতে তেখেতৰ জীৱন দৰ্শনৰ বিষয়ে উল্লেখ কৰে। ইফালে ড° সৰ্বপল্লী ৰাধাকৃষ্ণনৰ জন্মদিৱসৰ সৈতে সংগতি ৰাখি উদ্‌যাপিত শিক্ষক দিৱস উপলক্ষে তেওঁ কয় যে শিক্ষাগুৰুসকল হৈছে প্ৰকৃত মানৱ সৃষ্টি কৰাৰ আঁৰৰ ব্যক্তি। তেওঁলোকে যি প্ৰজ্ঞাৰ বীজ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ৰোপণ কৰে, তাৰেই আলোকিত হৈ ছাত্ৰ-ছাত্ৰীসকলৰ জীৱন সমৃদ্ধ হয় তথা এখন সমাজ সমৃদ্ধ হয়। ভাষণ প্ৰসংগত তেওঁ শিক্ষাগুৰুসকলে ছাত্ৰ-ছাত্ৰীৰ অনুসন্ধিৎসু মনৰ জিজ্ঞাসা দূৰ কৰা বা তেওঁলোকক জীৱনৰ অভিজ্ঞতা, অনুশীলন সম্পৰ্কে অৱগত কৰাৰ দিশত নিৰন্তৰ কাম কৰি আহিছে বুলিও উল্লেখ কৰে। অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰি কামৰূপৰ জিলা উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্তই ছাত্ৰ-ছাত্ৰীসকলৰ জীৱন গঢ়াৰ দিশত শিক্ষাগুৰুসকলৰ ত্যাগ আৰু অৰিহণাৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয় যে ছাত্ৰ-ছাত্ৰীসকলক সুনাগৰিক হোৱাৰ বাট দেখুওৱা শিক্ষাগুৰুসকলে তেওঁলোকৰ কৰ্মথলীত প্ৰতিদিনেই নতুন নতুন প্ৰত্যাহ্বানৰ সন্মুখীন হয়। পিতৃ-মাতৃসকলে নিজৰ সন্তানৰ শিক্ষাৰ গুৰু দায়িত্ব এজন শিক্ষকৰ ওপৰতে অৰ্পণ কৰাৰ লগতে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ সুকীয়া সপোন, কোনো বিষয়ত থকা ৰাপ আৰু দুৰ্বলতাৰ প্ৰতি এজন শিক্ষকে সদায় লক্ষ্য ৰাখিব লাগে। সমান্তৰালকৈ বৰ্তমানৰ পৰিৱৰ্তিত যুগৰ সৈতে খাপ খোৱাকৈ নিজকে সাজু কৰি তোলাটোও এক বৃহৎ প্ৰত্যাহ্বান। এই সকলো প্ৰত্যাহ্বানৰে মোকাবিলা কৰি প্ৰতিগৰাকী শিক্ষকে ৰাষ্ট্ৰ গঠন, সমাজ গঠনৰ ক্ষেত্ৰত আগবঢ়াই অহা অৰিহণাৰ বাবে তেওঁলোক সন্মানৰ পাত্ৰ বুলিও জিলা উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্তই উল্লেখ কৰে। অনুষ্ঠানত কামৰূপৰ অতিৰিক্ত জিলা আয়ুক্ত সুজাতা গগৈ আৰু বিদ্যালয়সমূহৰ পৰিদৰ্শক তপন কুমাৰ কলিতাও উপস্থিত থাকে। অনুষ্ঠানত কামৰূপ জিলাৰ নিৰ্বাচিত ১১ গৰাকী কৃতী শিক্ষকক কামৰূপ জিলা প্ৰশাসনৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এই ১১ গৰাকী কৃতী শিক্ষক হৈছে ক্ৰমে - কামৰূপ জিলাৰ পি বি আঞ্চলিক ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ স্নাতকোত্তৰ শিক্ষক ভৱেশ চন্দ্ৰ বৈশ্য, পি এম শ্ৰী দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ সূৰ্য কুমাৰ ভট্টাচাৰ্য, শৈলেন্দ্ৰ কুমাৰ দত্ত হাইস্কুলৰ প্ৰধান শিক্ষক ভূপেন্দ্ৰ নাথ লহকৰ, কৰৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক জুনো কলিতা, বিটি হাইস্কুলৰ সহকাৰী শিক্ষক আবিজৰ ৰহমান, নহিৰা গুইমাৰা আঞ্চলিক হাইস্কুলৰ প্ৰধান শিক্ষক ধীৰেন কুমাৰ, আমিনগাঁও বেংগলী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অনিতা পাল, ১১৬ নং ডেকপাৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ডিম্বেশ্বৰ ভট্টাচাৰ্য, বংশৰ ভৃঙ্গেশ্বৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ইন্দ্ৰকান্ত বৈশ্য, ৯৫ নং সাতপখলী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বিমল চন্দ্ৰ কলিতা, বঙৰা পচনীয়াপাৰা মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক হেৰম্ব চৌধুৰী। লগতে আন দুগৰাকী কৃতী শিক্ষক ক্ৰমে দামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক যতীন ডেকা আৰু জলাহ হাইস্কুলৰ সহকাৰী শিক্ষক অনিল চন্দ্ৰ ডেকাক উদগনি বঁটাৰে সন্মানিত কৰা হয়। অনুষ্ঠানতে ৰাজেন্দ্ৰ প্ৰসাদ মেধি সোঁৱৰণী ন্যাসৰ তৰফৰ পৰা অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে অনুষ্ঠিত কৰা ২০২৫ চনৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অসমীয়া বিষয়ত কামৰূপ জিলাৰ ভিতৰতে সৰ্বোচ্চনম্বৰ লাভ কৰা ৰঙিয়াৰ প্ৰাগমেটিক একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ছাত্ৰ বিভূৰঞ্জন দাসক ৰাজেন্দ্ৰ প্ৰসাদ মেধি সোঁৱৰণী বঁটা প্ৰদান কৰা হয়। এই বঁটাত আছিল সম্বৰ্ধনা পত্ৰ, গামোচা, শৰাই আৰু দহহাজাৰ টকাৰ নগদ ধন।

# সুন্দৰম সাংস্কৃতিক সমাজ তেজপুৰৰ উদ্যোগত বিশিষ্ট শিক্ষাবিদ জীৱন চন্দ্ৰ দাস সোঁৱৰণী শিক্ষক দিৱস উদ্‌যাপন

## শতাধিকৰো অধিক অৱসৰী স্বনামধন্য শিক্ষক-শিক্ষয়িত্ৰীলৈ সম্বৰ্ধনা জ্ঞাপন




**চন্দন শৰ্মা, তেজপুৰ ঃ** সুন্দৰম সাংস্কৃতিক সমাজ তেজপুৰৰ উদ্যোগত ডিপোটা কেন্দ্ৰীয় নাট্য মন্দিৰৰ মঞ্চত বিশিষ্ট শিক্ষাবিদ জীৱন চন্দ্ৰ দাস সোঁৱৰণী শিক্ষক দিৱসৰ লগত সংগতি ৰাখি অৱসৰী স্বনামধন্য শতাধিকৰো অধিক শোণিতপুৰ জিলাৰ বিভিন্ন প্ৰান্তৰ শিক্ষক-শিক্ষয়িত্ৰীলৈ উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰে। কাৰ্যসূচী মৰ্মে প্ৰথমে ড° সৰ্বপল্লী ৰাধাকৃষ্ণনৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে শোণিতপুৰ জিলাৰ হলেশ্বৰ জিলা পৰিষদৰ সদস্যা তথা ছ'ল্টব্ৰুক একাডেমীৰ প্ৰাক্তন প্ৰবক্তা মুনমী বৰুৱাই। তেজপুৰ সুন্দৰম সাংস্কৃতিক সমাজৰ সম্পাদক পল্লৱজ্যোতি নাথে আঁত ধৰা অনুষ্ঠানভাগত সভাপতিৰ আসন অলংকৃত কৰে তেজপুৰ সুন্দৰম সাংস্কৃতিক সমাজৰ সভাপতি তথা বিশ্বনাথ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° যতীন বৰুৱাই। বিশিষ্ট শিক্ষাবিদ জীৱন চন্দ্ৰ দাসৰ প্ৰতিচ্ছবিত বন্তিপ্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰাৰ লগতে শোণিতপুৰ জিলাৰ বিভিন্ন প্ৰান্তৰ অৱসৰী স্বনামধন্য শতাধিকৰো অধিক শিক্ষক-শিক্ষয়িত্ৰীলৈ অসমীয়া জাতিৰ স্বাভিমান ফুলাম গামোছা আৰু প্ৰশংসা পত্ৰৰে উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰে। উক্ত অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে খনামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা ভাৰতীয় সাহিত্য প্ৰতিষ্ঠানৰ অধ্যক্ষ, অসম গোৰ্খা নাট্য সন্মিলনৰ মহা সচিব, অসম কাণ্ডাৰী সাপ্তাহিক কাকতৰ মুখ্য সম্পাদক বিষ্ণু শাস্ত্ৰী, নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰে দৰং মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ ড° গহণ চন্দ্ৰ মহন্ত, মহাজাতি টুৱেন্টি ফ'ৰ লাইভ চেনেলৰ স্বত্বাধিকাৰ ড° পৰশমণি সিংহৰ লগতে বহুকেইজন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

# সংগীতপ্ৰেমীৰ মাজলৈ কাকলি শইকীয়াৰ পৰিচালনাত মাধৱদেৱৰ বিৰচিত বৰগীত 'আলো সই দেখো সই'



**জয়ন্ত মুদৈ, নগাঁও ঃ** অসমীয়া কলা-কৃষ্টি-সংস্কৃতিৰ অন্যতম অনুপম সৃষ্টি বৰগীত। বৰ্তমান সময়ত সংগীতৰ ক্ষেত্ৰখনত বহুখিনি পৰিৱৰ্তন আহি পৰিলেও এই বৰগীতৰ আছে সুকীয়া মাদকতা। আনকি সংগীতপ্ৰেমী প্ৰতিজন লোকৰে মাজত আছে বৰগীতৰ এক বিশেষ সমাদৰ। বৰগীতৰ অমিয়া সুৰে ক্ষণিকতে মন-প্ৰাণ পুলকিত কৰি তোলাৰ বিপৰীতে সৃষ্টি কৰে এক মনোমোহা আধ্যাত্মিক পৰিৱেশৰ। কিন্তু এই বৰগীতৰ চৰ্চা আন সংগীতৰ তুলনাত আজিৰ তাৰিখতো কম পৰিমাণেহে হোৱা দেখা যায়। এনে এক পৰিৱেশৰ মাজতে শেহতীয়াভাৱে সংগীতপ্ৰেমীৰ মাজলৈ আগবঢ়াই দিয়া হৈছে শ্ৰীশ্ৰী মাধৱদেৱৰ বিৰচিত 'আলো সই দেখো সই' শীৰ্ষক বৰগীতটি। জানিব পৰা মতে, যোৱা ৩ ছেপ্টেম্বৰৰ বিয়লি নগাঁও ছোৱালী মহাবিদ্যালয়ৰ চিন্তা জুৰণি কক্ষত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত শংকৰী সাহিত্যৰ গৱেষক পণ্ডিত তিলক চন্দ্ৰ মজুমদাৰৰ প্ৰতি শ্ৰদ্ধা নিবেদি এই বৰগীতটিৰ শুভ উন্মোচন কৰা হয়। অধ্যাপক ড° সঞ্জীৱ পল ডেকা আৰু বিশিষ্ট কবি, সাহিত্যিক ড° নন্দ সিং বৰক'লাকে ধৰি বহুকেইজন বিশিষ্ট ব্যক্তিৰ লগতে ভালেসংখ্যক সংস্কৃতিপ্ৰেমীৰ উপস্থিতিত বৰগীতটি আনুষ্ঠানিকভাৱে উন্মোচন কৰে অধ্যাপক ড° সঞ্জীৱ বৰকাকতীয়ে। উল্লেখ্য, ইতিমধ্যে ইউটিউবত উপলব্ধ এই বৰগীতটি পৰিৱেশন কৰিছে সংগীত শিল্পী কাকলি শইকীয়া আৰু নিলাক্ষী কটকীয়ে। প্ৰাঞ্জল বৰাৰ সংগীত ব্যৱস্থাপনাৰে বৰগীতটি পৰিচালনা কৰিছে কাকলি শইকীয়াই।

# পুৰণি জালুকবাৰী আৰু নতুন জালুকবাৰী সমষ্টিৰ নামঘৰত ভাদ মাহৰ নাম-প্ৰসংগৰ বাবে প্ৰসাদৰ সামগ্ৰী বিতৰণ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ



**ৰমেন ভৰালী, বংশৰ ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ২০০১ চনৰে পৰা জালুকবাৰী সমষ্টিৰ বিধায়ক হোৱাৰে পৰা বিগত প্ৰায় ২৫ বছৰে জালুকবাৰী সমষ্টিৰ প্ৰতিটো নামঘৰ তথা ধৰ্মীয় অনুষ্ঠানত ভাদ মাহত নাম প্ৰসঙ্গৰ বাবে মাহ প্ৰসাদৰ লগতে কিছু আৰ্থিক সাহায্য প্ৰদান কৰি আহিছে। সেই পৰম্পৰাগতভাৱে এইবেলিও মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হৈ মুখ্যমন্ত্ৰীগৰাকীৰ ব্যক্তিগত সহায়ক তথা ভাৰতীয় জনতা পাৰ্টীৰ ৰাজ্যিক কিষাণ মৰ্চাৰ সাধাৰণ সম্পাদক ৰঞ্জিত ভট্টাচাৰ্যই বৰ্তমানৰ পুৰণি জালুকবাৰী সমষ্টিৰ আৰু নতুন জালুকবাৰী সমষ্টিৰ শুৱালকুছি খণ্ড উন্নয়ন এলেকা, বেজেৰা, উত্তৰ গুৱাহাটী, কামাখ্যা, পাণ্ডু, বৰঝাৰ আদি অঞ্চলৰ প্ৰায়বোৰ নামঘৰ আৰু ধৰ্মীয় অনুষ্ঠানত উপস্থিত হৈ প্ৰতি বছৰৰ দৰে ভাদ মাহৰ নাম প্ৰসঙ্গৰ বাবে প্ৰসাদ সামগ্ৰীৰ লগতে কিছু আৰ্থিক সাহায্য আগবঢ়ায়। লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ তৰফৰ পৰা এখন পত্ৰ প্ৰদান কৰা হয়। প্ৰসাদ বিতৰণ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ব্যক্তিগত সহায়ক ৰঞ্জিত ভট্টাচাৰ্যৰ লগতে প্ৰণৱ বৰ্মনে শুৱালকুছি খণ্ড উন্নয়ন এলেকাত ভাৰতীয় জনতা পাৰ্টীৰ শুৱালকুছি মণ্ডলৰ সভাপতি ধীৰাজ মহন্ত, উত্তৰ গুৱাহাটী বিজেপি মণ্ডলৰ সভাপতি সুৰঞ্জন বৰুৱা, উত্তৰ গুৱাহাটী পৌৰসভাৰ কাউন্সিলৰ অমিয় দাসৰ লগতে ভাৰতীয় জনতা পাৰ্টিৰ অনুসুচীত জাতি মৰ্চাৰ ৰাজ্যিক উপ-সভাপতি প্ৰকাশ দাস, অনুসূচীত জাতি মৰ্চা উত্তৰ কামৰূপ জিলাৰ সভাপতি ৰাজীৱ দাস, শুৱালকুছি মণ্ডল যুৱ মৰ্চাৰ সভাপতি ৰাজীৱ দাস ধৰি পঞ্চায়ত প্ৰতিনিধি আৰু ভাৰতীয় জনতা পাৰ্টীৰ বিভিন্ন বিষয়ববীয়াসকল উপস্থিত থাকি প্ৰতিটো নামঘৰ, ধৰ্মীয় অনুষ্ঠানত গৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পথোৱা সামগ্ৰীসমূহ প্ৰদান কৰে।

# ড° ভূপেন হাজৰিকা

■ অনামিকা (সংগীতা) **কলিতা,** শুৱালকুছি

হে মহান শিল্পী তোমাক প্ৰণাম জনাইছোঁ। চৰকাৰৰ সিদ্ধান্ত খুবেই প্ৰশংসনীয়। আমাৰ প্ৰিয় শিল্পী ভাৰত ৰত্নেৰে বিভূষিত শ্ৰদ্ধাৰ ড° ভূপেন হাজৰিকাৰ দেৱৰ ৯৯ বছৰ জন্মদিন ৮ ছেপ্তেম্বৰত অসম তথা ভাৰতবৰ্ষৰ সকলো শিল্পী সমাজে পালন কৰে। আমিও শ্ৰদ্ধাৰে সোঁৱৰিলো। এগৰাকী অসমৰ সুযোগ্য সন্তান যাক সংগীতৰ সূৰ্য আখ্য দিয়া হয়, তেনে বিশ্ব বৰেণ্য ব্যক্তিগৰাকী আমাৰ অসম ভূমিপুত্ৰ হিচাপে সকলোৱে গৌৰৱ অনুভৱ কৰে। তেওঁক শ্ৰদ্ধাৰে প্ৰণিপাত কৰিলোঁ। গুৱাহাটী জালুকবাৰী থকা তেখেতৰ সমাধিক্ষেত্ৰও আছে। এনেকুৱা ব্যক্তি সমাজত খুব কম থাকে যি নিজৰ প্ৰতিভাৰে গোটেই বিশ্বতে নিজৰ নাম উজ্বলাব পাৰে। তাৰ ভিতৰত সংগীতৰ পূজাৰী মহান সংগীতজ্ঞ ড° ভূপেন হাজৰিকাও অন্যতম আছিল। তেখেতৰ কৰ্মৰাজিৰ আমাক অনুপ্ৰাণিত কৰে।

ভাৰত ৰত্ন বিভূষিত অসমৰ সুযোগ্য সন্তান, বিৰল প্ৰতিভাৰ অধিকাৰী, সুকোমল হৃদয়, যাৰ অন্তৰত মানুহৰ প্ৰতি অসীম মৰমৰ থুপ খাই আছিল।

মোৰ দেউতাৰ মুখেৰে শুনা মতে তেও এনে এজন ব্যক্তি আছিল, যিজনে নিজৰ বাদ্যযন্ত্ৰ আদিৰে সহযোগ কৰাসকলক বন্ধুৰ দৰে ব্যৱহাৰ কৰাৰ লগতে তেওঁলোকৰ বিপদ আপদত সহায় হাত আগবঢ়াইছিল। এয়া হয়তো তেখেতৰ আদৰ্শ মাতৃ শান্তিপ্ৰিয়া হাজৰিকা আৰু পিতৃ নীলকান্ত হাজৰিকাৰ পৰাই নীতি-শিক্ষা লাভ কৰিছিল।

সেইবাবেই তেওঁৰ গীত
বুকু হম হম কৰে মোৰ আই
কোনে নিদ্ৰা হৰে মোৰ আই
পুত্ৰ হ'ই মই কি মতে তৰো
আই তোৰে হ'ই মই মৰো।
'অ বিদেশী বন্ধু দুৰ্ভগীয়া
আজি কিয়নো বন্ধু অকলশৰীয়া।

এই গীতবোৰত লুকাই আছে, তেওঁৰ অসমীয়া মানুহ জাতিৰ প্ৰতি যি মৰম আৱেগৰ পৰিচয়। ইয়াৰো উপৰি তেওঁ পৰিচালনা কৰা অসমীয়া-হিন্দী চলচিত্ৰবোৰ যেনে-'পিয়লী ফুকণ', চিকমীক বিজুলী, অশান্ত প্ৰহৰ, এৰাপাটৰ সুৰ, গজগামিনী ইত্যাদিৰ সুন্দৰ অৱদানেৰে অসমীয়া জাতিক অসমীয়া ভাষা, সাহিত্য-সংস্কৃতিত বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰি থৈ গৈছে।

এই গৰাকী অসমীয়া সুৰৰ সম্ৰাট বিভিন্ন ভাষাৰ ওপৰত জ্ঞানৰ পৰিধিৰে সংগীতৰ আলোকেৰে জয়যাত্ৰা কৰা ব্যক্তিৰ নাম সদায় ইতিহাসত জিলিকি থাকিব। এই সকলো গুণৰ অধিকাৰী ব্যক্তি গৰাকী মোৰেই নহয় সকলোৰে প্ৰিয়।

**ম'বাইল ঃ** ৭০০২৯-৪২৫৯১

# বৰক্ষেত্ৰী মহাবিদ্যালয়ত নৱাগত আদৰণি সভা



**শংকৰ দাস, মুকালমুৱা ঃ** বৰক্ষেত্ৰী মহাবিদ্যালয়ত নৱাগত আদৰণি সভাত সংগীতানুষ্ঠান নৱপ্ৰজন্মৰ মাজত অতিকৈ জনপ্ৰিয় কণ্ঠশিল্পী ৰিচা ভৰদ্বাজৰ। মুকালমুৱাত জনপ্ৰিয় শিল্পী ৰিচা ভৰদ্বাজৰ গীতে মোহিত কৰে সমৱেত হাজাৰ হাজাৰ দৰ্শক আৰু ছাত্ৰ-ছাত্ৰীসকলক। মুকালমুৱাস্থিত অগ্ৰণী শিক্ষানুষ্ঠান বৰক্ষেত্ৰী মহাবিদ্যালয়ত নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হয়। বৰক্ষেত্ৰী মহাবিদ্যালয়ৰ বাকৰিত বিভিন্ন কাৰ্যসূচীৰ লগতে জনপ্ৰিয় গায়িকা ৰিচা ভৰদ্বাজৰ সংগীতানুষ্ঠানে মোহিত কৰে ছাত্ৰী-ছাত্ৰীসকলক। নৱাগত আদৰণি সভাৰ কাৰ্যসূচী অনুসৰি পতাকা উত্তোলন, শ্বহীদ তৰ্পণ আৰু মাল্যাৰ্পণ, গছপুলি ৰোপণ, অন্তৰংগ আলাপ কাৰ্যসূচীৰ পিছতে অনুষ্ঠিত কৰে মুকলি সভা। বৰক্ষেত্ৰী মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° বিৰিঞ্চি চৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাত মহাবিদ্যালয়খনৰ পৰিচালনা কমিটিৰ সভাপতি সুমন্ত বৰঠাকুৰ, বৰক্ষেত্ৰী মহাবিদ্যালয়ৰ শৈক্ষিক তত্বাৱধায়ক মৃদুল হ'ক চৌধুৰীৰ লগতে কেইবাজনো বিশিষ্ট ব্যক্তি তথা মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। মুকলি সভাৰ অন্তত জনপ্ৰিয় গায়িকা ৰিচা ভৰদ্বাজৰ গীতে মনোৰঞ্জন দিয়ে ছাত্ৰ-ছাত্ৰীসকলক।

# শিক্ষক দিৱস আৰু শিক্ষাগুৰু

■ **ৰশ্মি ৰেখা দুৱৰা,** ডিব্ৰুগড়

গুৰু ব্ৰহ্মা,গুৰু বিষ্ণু, গুৰু দেৱ মহেশ্বৰ।
গুৰু সাক্ষাৎ পৰম ব্ৰহ্ম তস্মৈশ্ৰী গুৰুৱে নম:।।

পিতৃ-মাতৃৰ পাছতেই গুৰুৰ স্থান। গুৰুক এডাল মমবাতিৰ লগত তুলনা কৰা হয়, যিয়ে নিজেই জ্বলি শেষ হৈ আনক পোহৰ দিয়ে। অৰ্থাৎ শিষ্যসকলক জীৱন পথৰ সন্ধান দিয়ে, চৰিত্ৰ গঠনত সহায় কৰে। পিতৃ ঋণ, মাতৃ ঋণ যেনেদৰে কেতিয়াও পৰিশোধ কৰিব নোৱাৰি, ঠিক তেনেদৰেই গুৰুৰ ঋণ পৰিশোধ কৰাটো সম্ভৱ নহয়।

শিক্ষাগুৰুসকলৰ অৱদানৰ বাবে সন্মান জনোৱাৰ এটা বিশেষ দিন শিক্ষক দিৱস। এজন মহান ভাৰতীয় শিক্ষক তথা ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি তথা ভাৰতৰ প্ৰথম উপ-ৰাষ্ট্ৰপতি ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ জন্মদিনটো ৫ ছেপ্তেম্বৰত প্ৰতি বছৰে ভাৰতবৰ্ষত শিক্ষক দিৱস হিচাপে পালন কৰা হয়। ১৮৮৮ চনৰ ৫ ছেপ্তেম্বৰত সৰ্বেপল্লী ৰাধাকৃষ্ণণে জন্মগ্ৰহণ কৰিছিল। তেখেতে ৫ ছেপ্তেম্বৰত কেতিয়াও জন্মদিন হিচাপে পালন কৰাটো বিচৰা নাছিল। ছাত্ৰ-ছাত্ৰীসকলক জন্মদিনটো শিক্ষক দিৱস হিচাপেহে পালন কৰিবলৈ কৈছিল। সেয়েহে ১৯৬২ চনৰ ৫ ছেপ্তেম্বৰৰ পৰা এই দিৱসটোক শিক্ষক দিৱস হিচাপে স্বীকৃতি প্ৰদান কৰা হৈছে। ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণ ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি পদত নিযুক্ত আছিল যদিও নিজকে এজন শিক্ষক হিচাপে পৰিচয় দি ভাল পাইছিল। শিক্ষক দিৱস দিনটোতেই গুৰু আৰু শিষ্যৰ মধুৰ মিলন ঘটে। এনে নহয় যে আমি এই বিশেষ দিনটোতে গুৰুক সন্মান জনাম। গুৰুক আমি সদায় সন্মান জনোৱাটো উচিত। গুৰুৱে আমাক কেতিয়াও বিপথে পৰিচালিত হ'বলৈ নিশিকায়। সৎ পথেৰে আগুৱাই যাবৰ বাবেই শিক্ষাদান কৰে। কোনোজন গুৰুৱে খঙেৰে আৰু কোনোজনে মৰমেৰে বুজনি দিয়ে। কিন্তু তেখেতসকলৰ অৱদান অমূল্য।

প্ৰতিখন দেশতে শিক্ষক দিৱস পালন কৰা দিনটো সুকীয়া। গুৰুৰ জ্ঞান শ্ৰেণীকোঠাতে আৱদ্ধ নহয়, তেওঁলোক শিষ্যৰ পথপ্ৰদৰ্শক। পাঠ্যপুথিৰ শিক্ষাৰ লগতে গুৰুৱে মূল্যবোধ, নৈতিকতা আৰু জীৱন দক্ষতাও প্ৰদান কৰে। এজন ভাল শিক্ষাগুৰু হৈছে পৰামৰ্শদাতা, নিৰ্দেশক আৰু অনুপ্ৰেৰণাৰ উৎস। যি শিক্ষাৰ্থীসকলক অনুপ্ৰাণিত কৰে। শিক্ষাগুৰুসকল সমাজৰ আদৰ্শ। যিয়ে নেকি কোনো স্বাৰ্থ নথকাকৈ শিক্ষাৰ্থীসকলক একোজন ভাল মানুহ হোৱা আপ্ৰাণ চেষ্টা কৰে। সততা আৰু নিষ্ঠাৰে শিক্ষাদান কৰি সামাজিক উন্নতি সাধন কৰে। শিক্ষাগুৰুসকল হৈছে সমাজৰ আধাৰশিলা।

শিক্ষাগুৰু আৰু শিক্ষাৰ্থী একেডাল জৰীৰে বান্ধ খাই আছে। ইজন আনজনৰ পৰিপূৰক। গুৰু আৰু শিক্ষাৰ্থীৰ সম্পৰ্ক গুৰুত্বপূৰ্ণ। ই বিশ্বাস, সন্মান আৰু যোগাযোগৰ ওপৰত নিৰ্মিত। গুৰুৱে শিক্ষাদান কৰিলেই নহ'ব শিক্ষাৰ্থীয়ে বিষয়টোৰ ওপৰত মনোযোগ দি সঁহাৰি জনালেহে গুৰু আৰু শিক্ষাৰ্থী সমানেই লাভান্বিত হ'ব। শিক্ষাগুৰু আৰু শিক্ষাৰ্থীৰ শক্তিশালী বান্ধোন এক সফল শৈক্ষিক যাত্ৰাৰ বাবে অত্যাৱশ্যকীয়। শিক্ষাগুৰুক শিক্ষাৰ্থীসকলে প্ৰতিদিনে সন্মান জনায় যদিও গুৰুক সন্মান জনোৱাৰ বিশেষ মঞ্চ প্ৰদান কৰে শিক্ষক দিৱসটোৱে। উক্ত দিনটোত শিক্ষাগুৰুসকলক প্ৰশংসা কৰাৰ উপৰিও বিশেষ সভা, সাংস্কৃতিক কাৰ্যসূচীৰে উলহ-মালহেৰে অনুষ্ঠিত কৰা হয়। শিক্ষাগুৰুৰ ঋণ পৰিশোধ কৰিব নোৱাৰিলেও অন্তৰত বিশেষ স্থান দখল কৰাজন ভগৱানতকৈ কোনোগুণে কম নহয়।

**ম'বাইল ঃ** ৬০০০৬-৮২১৮৩

# নগাঁও জিলাৰ পুৰণিগুডামত পিউৰ ফাউণ্ডেচন নামেৰে এটি নিচামুক্তি কেন্দ্ৰ




**বিশেষ সংবাদদাতা, নগাঁও ঃ** আপুনি বা আপোনাৰ ওচৰ-চুবুৰীয়া কোনো লোকৰ লগতে নিজৰ সন্তানটি নিচাসক্ত অৱস্থাত আছে নেকি তেনেহ'লে আপোলোকৰ সহায়ৰ বাবে ৰৈ আছে নগাঁও জিলাৰ পুৰিগুডামৰ বৰপানীগাৱত অৱস্থিত pure life foundation (পিউৰ লাইফ ফাউণ্ডেচন) নামেৰে এটি নিচামুক্তি কেন্দ্ৰ। এসময়ত নিচাত আসক্তি হোৱা এজন ব্যক্তি নাম ৰাজ ঋতু বৰা ওৰফে (বাবু) বৰ্তমান এতিয়া তেওঁ সম্পূৰ্ণৰূপে সুস্থ হৈ নিচাৰ পৰা দূৰত থাকি বিগত কেইবা বছৰ ধৰি এই নিচা মুক্তি কেন্দ্ৰটি মুকলি কৰি বহু উঠি অহা যুৱক-যুৱতীৰ মুখত হাহি বিৰিঙাবলৈ সক্ষম হৈছে। জানিব পৰা মতে- এই কেন্দ্ৰটিত অভিজ্ঞতা সম্পন্ন চিকিৎসকৰ দ্বৰা চিকিৎসা প্ৰদান, সুন্দৰ পৰামৰ্শৰে, ধ্যান, যোগাসনৰ জৰিয়তে নিচাসক্ত লোকসকলৰ হতাশা আঁতৰোৱাৰ লগতে ড্ৰাগছ, মদ্যপানকে আদি কৰি সকলোধৰণৰ নিচা আসক্তি দূৰ কৰি নিচামুক্ত কৰোৱা হয়। আনহাতে কেন্দ্ৰটিত নিচাসক্ত লোকসকলৰ বাবে এটি সুন্দৰ পৰিৱেশৰ মাজেৰে শীত-তাপ নিয়ন্ত্ৰিত কোঠাত থকাৰ ব্যৱস্থা, প্ৰতিদিনে অসমীয়া থলুৱা ব্যঞ্জনৰে আপ্যায়ন কৰা হয় বুলিও বৰাই জানিবলৈ দিয়ে। সবিশেষ জানিবলৈ ৭০০২৩-০১০০৭ আৰু ৯৬৭৮০-৩৭৩৭৮ নম্বৰত যোগাযোগ অতিশীঘ্ৰে যোগাযোগ কৰক।

# সমন্বয় সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত সপ্তম বাৰ্ষিক সদৌ অসম সৰস্বতী ড° নিৰ্মল প্ৰভা বৰদলৈ আৰু পদ্মশ্ৰী দীপালী বৰঠাকুৰৰ গীতৰ প্ৰতিযোগিতাৰ সফল সামৰণি




**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ ঃ** ব্যতিক্ৰমী অনুষ্ঠান আয়োজনেৰে ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হোৱা ২০ বছৰ গৰকা শিৱসাগৰৰ অন্যতম সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান 'সমন্বয় সাংস্কৃতিক গোষ্ঠী'ৰ উদ্যোগত আৰু 'সাধাৰণ জাতি সুৰক্ষা সন্মিলন-অসম কেন্দ্ৰীয় সমিতি'ৰ সৌজন্যত তথা অসম নাট্য সন্মিলন-শিৱসাগৰ শাখাৰ সহযোগত শিৱসাগৰ নগৰৰ হিন্দু ধৰ্ম্মসভা নামঘৰ প্ৰেক্ষাগৃহৰ গ্ৰন্থাগাৰিকা প্ৰয়াত শান্তি দাস সৌঁৱৰণী মঞ্চত যোৱা ৩ ছেপ্তেম্বৰ, বুধবাৰে ৰংপুৰত নীলা-দীপালীৰে এদিন... শীৰ্ষক এক সংগীতানুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানৰ লগত সংগতি ৰাখি সপ্তম বাৰ্ষিক সদৌ অসম প্ৰাইজমানি প্ৰখ্যাত গীতিকাৰ, সৰস্বতী ড° নিৰ্মল প্ৰভা বৰদলৈ আৰু কোকিলকণ্ঠী গায়িকা পদ্মশ্ৰী দীপালী বৰঠাকুৰৰ গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। উল্লেখযোগ্য যে, সৰস্বতী ড° নিৰ্মল প্ৰভা বৰদলৈৰ সোঁৱৰণত আয়োজন কৰা গীতৰ প্ৰতিযোগিতাখনি 'ক' আৰু 'খ' দুটা শাখাত অনুষ্ঠিত হয়। দুয়োটা শাখাতে প্ৰায় অৰ্ধশতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰি অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তোলে। কাৰ্যসূচী অনুসৰি পুৱা সমন্বয় সাংস্কৃতিক গোষ্ঠীৰ সভাপতি জিতেন কাকতিয়ে পতাকা উত্তোলন কৰাৰ পাছত স্মৃতি তৰ্পণ কৰে উদ্‌যাপন সমিতিৰ সভাপতি জুৰিমণি দত্তই। তাৰ পাছতেই গায়ত্ৰী দেৱীসহ দুয়োগৰাকী শিল্পীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে ক্ৰমে শিৱসাগৰ জিলা অসম নাট্য সন্মিলনৰ উপ-সভাপতি অনঙ্গ মোহন শৰ্মা, জিতেন কাকতি আৰু জুৰিমণি দত্তয়ে। মঞ্চ মুকলি কৰে যোৰহাটৰ বিশিষ্ট সাংবাদিক তথা নিউজ নাও ২৪×৭ চেনেলৰ পৰিচালন সঞ্চালক উৎপল দাসে। লগতে বিশেষ অতিথিৰূপে উপস্থিত থাকে অসমৰ লগতে দিল্লী, মুম্বাই আদিত ১০ হাজাৰতকৈও অধিক কপৌফুলৰ পুলি ৰুই জাগৰণ সৃষ্টি কৰা, অসমীয়া চিনেমাৰ বাবে সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰি অহা বিশিষ্ট সাংস্কৃতিককৰ্মী, প্ৰকৃতিপ্ৰেমী সমীৰ ৰয়। আনহাতে গীতৰ প্ৰতিযোগিতা উদ্বোধন কৰে জিলা অতিৰিক্ত আৰক্ষী অধীক্ষক প্ৰকাশ মেধিৰ প্ৰতিনিধি হিচাপে উপস্থিত থকা আৰক্ষী বিষয়া ৰাজৰ্ষি বৰুৱাই। প্ৰতিযোগিতাত বিচাৰকৰ আসন অলংকৃত কৰে সংগীত শিল্পী ক্ৰমে জয়ন্ত দত্ত আৰু সুশীল লাহনে। সন্মানীয় সকলোকে উদ্‌যাপন সমিতিৰ হৈ সভাপতি জুৰিমণি দত্ত, কাৰ্যকৰী সভাপতি মানসী বৰা, সম্পাদক পৰী শইকীয়া, সাংস্কৃতিক সম্পাদকদ্বয় দেৱযানী ৰাজখোৱা আৰু জ্ঞানশিখা দাসে স্নেহ সম্ভাষণ জ্ঞাপন কৰে। ড° নিৰ্মল প্ৰভা বৰদলৈ সোঁৱৰণী গীতৰ প্ৰতিযোগিতাখনিত 'ক' শাখাত প্ৰথম স্থান অধিকাৰ কৰে এদ্ৰীএনি গগৈয়ে। দ্বিতীয় আৰু তৃতীয় বিজয়ী ক্ৰমে দৃষ্টি দাস আৰু আয়ুস প্ৰাণ গগৈ। তিনিওগৰাকী বিজয়ী প্ৰতিযোগীক ক্ৰমে সমাজকৰ্মী প্ৰয়াত দেৱেন্দ্ৰ নাথ দত্ত আৰু ধৰ্মপ্ৰাণ মহিলা প্ৰয়াত দময়ন্তী দত্ত সোঁৱৰণী বঁটা-মানপত্ৰসহ নগদ ৪,০০০ টকা, শিক্ষক প্ৰয়াত সোমেশ্বৰ দত্ত আৰু শিক্ষয়িত্ৰী প্ৰয়াত ৰূপা দত্ত সোঁৱৰণী বঁটা-মানপত্ৰসহ নগদ ২,৫০০ টকা আৰু প্ৰখ্যাত অভিনেতা প্ৰয়াত বিজু ফুকন সোঁৱৰণী বঁটা-মানপত্ৰসহ নগদ ১,৫০০ টকা আগবঢ়োৱাৰ লগতে বিচাৰকৰ বিশেষ স্থান লাভ কৰা মঃ আৰমান ৰহমানক ৰাষ্ট্ৰীয় টাইকোৱানডু খেলুৱৈ প্ৰয়াত অভিতাভ শৰ্মা সোঁৱৰণী বঁটা আৰু মানপত্ৰ প্ৰদান কৰা হয়। উদ্‌গণি স্থান লাভ কৰে দেৱলিনা দেউৰী আৰু আকাংক্ষা গগৈয়ে। আনহাতে 'খ' শাখাৰ প্ৰথম বিজয়ী প্ৰীতম দত্ত, দ্বিতীয় আইৰিণ গগৈ আৰু তৃতীয় কংকনা কাকতি। আটাইকেইগৰাকী প্ৰতিযোগীক ক্ৰমে বিশিষ্ট হোমিঅ' চিকিৎসক প্ৰয়াত ডাঃ কমল বৰুৱা সোঁৱৰণী বঁটা-মানপত্ৰসহ নগদ ৫,০০০ টকা, শিল্পী, সু-লেখিকা প্ৰয়াত দিব্য মহন্ত ফুকন সোঁৱৰণী বঁটা-মানপত্ৰসহ নগদ ৩,০০০ টকা আৰু শিক্ষাবিদ প্ৰয়াত লীলাকান্ত ভূঞা সোঁৱৰণী বঁটা-মানপত্ৰসহ নগদ ২,০০০ টকা প্ৰদান কৰা হয়। লগতে 'খ' শাখাত বিচাৰকৰ বিশেষ স্থান লাভ কৰা সমৃদ্ধি বৰুৱাক ৰাষ্ট্ৰীয় টাইকোৱানডু খেলুৱৈ প্ৰয়াত অমিতাভ শৰ্মা সোঁৱৰণী বঁটা আৰু মানপত্ৰ আগবঢ়োৱা হয়। সমগ্ৰ অনুষ্ঠান পৰিচালনা কৰে সাংবাদিক তথা সমন্বয় সাংস্কৃতিক গোষ্ঠীৰ প্ৰধান সম্পাদক অমৃত কুমাৰ শৰ্মা আৰু সাংস্কৃতিককৰ্মী বিজয় ৰবি কাশ্যপে।

# মৃত্যু জিনাৰ গানেৰে মুখৰ কলঙৰ পাৰ

## সুধাকণ্ঠৰ প্ৰতি এহাজাৰ শিল্পীৰ বিশেষ শ্ৰদ্ধা



**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও জিলা পুথিভৰাঁলত ভাৰতৰত্ন, সুধাকণ্ঠ, অসমীয়া জাতিৰ হিয়াৰ আমঠু ড° ভূপেন হাজৰিকাৰ জন্মশতবৰ্ষ উদ্‌যাপনৰ উপলক্ষে শিল্পী জনাৰ প্ৰতি শ্ৰদ্ধা জনাই অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদ, নগাঁও জিলা সমিতিৰ উদ্যোগত কাব্যসিন্ধু ড° অমৰ জ্যোতি চৌধুৰীৰ অমৰ সৃষ্টি 'মৃত্যু জিনাৰ গান' কবিতাটি নগাঁও জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা অহা প্ৰায় এহাজাৰ শিল্পীয়ে পৰিৱেশন কৰে। কবিতাটি পৰিৱেশন কৰাৰ প্ৰাকমুহূৰ্তত এখন সভাও অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদ, নগাঁও জিলা সমিতিৰ সভাপতি, আবৃত্তি ৰত্ন, বিশিষ্ট চিত্ৰশিল্পী লক্ষীপ্ৰভা শইকীয়াই। 'মৃত্যু জিনাৰ গান' কবিতাটিৰ আবৃত্তিৰ শুভ উদ্বোধন কৰে নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই। সভাত উপস্থিত আছিল নগাঁও জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মা, প্ৰাক্তন বিধায়ক গিৰীন্দ্ৰ কুমাৰ বৰুৱা, ৰাজ্যিক সমিতিৰ বিষয়ববীয়া, বিশিষ্ট সাহিত্যিক বেদব্ৰত দেৱ মিশ্ৰ, কবি আবৃত্তিকাৰ ড° কুসুম কুমাৰ গোস্বামী, ৰাজ্যিক সহ-সম্পাদক জিতুৰাজ শইকীয়া, জিলা উপদেষ্টা, বিশিষ্ট নাট্যশিল্পী সপোনটি বৰদলৈ, ৰাজ্যিক সহকাৰী সম্পাদক দুৰ্লভ পৱন বৰুৱা, শিল্পী নয়নজ্যোতি শইকীয়া, ৰঞ্জন বেজবৰুৱা, পবিত্ৰ কলিতাকে আদি কৰি বহু বিশিষ্ট ব্যক্তি। সমগ্ৰ অনুষ্ঠানটিৰ আঁত ধৰে জিলা সম্পাদক ড° বসন্ত বৰাই। উল্লেখ্য যে, আগন্তুক ২০২৬ চনৰ ৬ ছেপ্টেম্বৰ তাৰিখে অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদে সমগ্ৰ অসমত ৫০ হাজাৰ শিল্পীৰ দ্বাৰা এই কবিতাটি পৰিৱেশন কৰিব।

# 'ডি গ্লেম ইণ্ডিয়া ইন্টাৰনেশ্যনেলক্স শীৰ্ষক সৌন্দৰ্য প্ৰতিযোগিতাত

## ব্ৰেণ্ড এম্বেচেদৰ খিতাপ দখল নগাঁৱৰ অনামিকা বৰা দাসৰ

**জয়ন্ত মুদৈ, নগাঁও ঃ** এম এছ মডেলিং ষ্টুডিঅ'ৰ উদ্যোগত আয়োজিত 'ডি গ্লেম ইণ্ডিয়া ইন্টাৰনেশ্যনেল' শীৰ্ষক সৌন্দৰ্য প্ৰতিযোগিতাত ব্ৰেণ্ড এম্বেচেদৰ খিতাপ লাভ কৰিছে নগাঁও জিলাৰ এগৰাকী বোৱাৰীয়ে। এই বোৱাৰীগৰাকী হৈছে জিলাখনৰ পশ্চিম প্ৰান্তৰ হাতীচোং অঞ্চলৰ অনামিকা দাস। আচলতে, যোৱা ৩১ আগষ্টত নৰ্থ গোৱাত মনোজ সিঙৰ সঞ্চালনাত অনুষ্ঠিত হৈছিল এই 'ডি গ্লেম ইণ্ডিয়া ইন্টাৰনেশ্যনেল' নামৰ সৌন্দৰ্য প্ৰতিযোগিতাখনি। সেয়ে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ এখন মঞ্চত ভাগ লৈ এনেদৰে সফলতা লাভেৰে অসমৰ লগতে নগাঁও জিলালৈ গৌৰৱ কঢ়িয়াই অনা অনামিকা বৰা দাসক সোমবাৰে নগাঁও প্ৰেছ ক্লাৱত বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। সেই উদ্দেশ্যে সমাজকৰ্মী আনজাৰ হুছেইনে আঁত ধৰা সম্বৰ্ধনা অনুষ্ঠানটিত উপস্থিত থাকি কুজিদাঁহ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী অধ্যক্ষ মৃদু পৱন বৰা আৰু ৰাইদঙীয়া হলিৰাম শইকীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী শিক্ষক মুনিন্দ্ৰ শইকীয়াই গ্ৰাম্য পৰিৱেশৰ পৰা কষ্ট, সাধনা, একাগ্ৰতাৰে আগুৱাই গৈ গোৱাত ব্ৰেণ্ড এম্বেচেদৰ খিতাপ লাভ কৰা অনামিকা বৰা দাসক প্ৰশংসা কৰি আশীৰ্বাদ প্ৰদান কৰে। অনুষ্ঠানত নগাঁও শিক্ষণ



মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা ড° তুলুমণি দত্ত, শিক্ষক ৰাতুল নেওগ, সৌন্দৰ্য খিতাপ লাভ কৰা বোৱাৰীগৰাকীৰ মাতৃ মাজান বৰা, কবি হেমপ্ৰভা বৰা, সাংবাদিক দিব্যজ্যোতি বৰুৱাকে ধৰি কেইবাজনো ব্যক্তিয়ে চমু ভাষণ প্ৰদান কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত অনামিকা বৰা দাসক বিভিন্নজনে গামোছা, ফুলৰ থোপা, বস্ত্ৰ আদিৰে উষ্ম সম্বৰ্ধনা জনায়। অনুষ্ঠানত বোৱাৰীগৰাকীৰ স্বামী তেজা কান্ত দাস, কবি ৰিজুমনি দেৱী, সমাজকৰ্মী দীপক দাস, ৰেদ প্ৰকাশ সিং, পপী ভৰালী, ছহিদুল ইমানকে আদি বহুসংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

# দীনবন্ধু আঞ্চলিক সাহিত্য শাখাৰ কৰ্মশালাৰ সফল সামৰণি

**বুলমণি বৰি, লখিমপুৰ ঃ** যোৱা ৩১ আগষ্ট তাৰিখে শ্ৰীমন্ত শংকৰদেৱ সংঘ, দীনবন্ধু আঞ্চলিক সাহিত্য শাখাৰ এখনি কৰ্মশালা সম্পন্ন হয় দেউবিল বালি গাঁও প্ৰাথমিক শাখাত। কৰ্মশালাৰ প্ৰয়োজনীয়তাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰি অনুষ্ঠানৰ শুভ উদ্বোধন কৰে দীনবন্ধু আঞ্চলিক শাখাৰ সম্পাদক কমল বৰাই। লখিমপুৰ জিলা শাখাৰ নিৰ্দেশ মৰ্মে প্ৰশিক্ষক দেবেন হাজৰিকা আৰু সঞ্জীৱ বৰাই কবিতা আবৃত্তি, বক্তৃতা প্ৰদান, ৰচনা লিখা, প্ৰশ্নবান বিষয়ৰ ওপৰত শিশু, যুৱক-যুৱতী আৰু আই মাতৃসকলক বেলেগে বেলেগে প্ৰশিক্ষণ প্ৰদান কৰে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে দীনবন্ধু আঞ্চলিকৰ সভাপতি লীলা কৃষ্ণ বৰি আৰু প্ৰাক্তন সভাপতি সুশান্ত টায়ে। অনুষ্ঠান ভাগত সভাপতিত্ব কৰে বৃন্দেশ্বৰ মৰাঙে। পুণা নন্দ বৰাই আঁত ধৰা লিজা বৰুৱাই এটি বৰগীতেৰে শুভাৰম্ভ কৰা অনুষ্ঠানত বিদ্যা মিছঙে শলাগৰ শৰাই আগবঢ়ায় আৰু গুৰু বন্দনাৰে অনুষ্ঠানৰ সফল সামৰণি পৰে।

# তেজপুৰ চিকিৎসা মহাবিদ্যালয়ত অসম সাহিত্য সভাৰ নতুন শাখা গঠন

## সাহিত্য কৰ্ম হ'ল জীৱনৰ অন্যতম শ্ৰেষ্ঠ কৰ্ম- সাংগঠনিক সম্পাদক দুলাল নাথ

**ৰমেন ভৰালী, বংশৰ ঃ** সাহিত্য কৰ্ম হ'ল মানুহ জীৱনৰ অন্যতম শ্ৰেষ্ঠ কৰ্ম। আজিৰ পৰা ১০৮ বছৰপূৰ্বে সেই সময়ৰ পুৰোধা সকলে অসমীয়া ভাষা সাহিত্যৰ প্ৰতিষ্ঠাৰ লগতে প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে অসম সাহিত্য সভা গঠন কৰিছিল। সময়ৰ ঋজুগতিত অসম সাহিত্য সভাই সম্প্ৰতি ফলে ফুলে জাতিষ্কাৰ হৈ বৃহৎ বটবৃক্ষলৈ পৰিণত হৈছে। অসম সাহিত্য সভা এতিয়া অসম বা ভাৰতেই নহয় বিশ্বৰ ভিতৰতে অন্যতম বৃহৎ সাহিত্যৰ সংগঠন। এই মন্তব্য অসম সাহিত্য সভা মণ্ডলদৈ আঞ্চলিক কাৰ্যালয়ৰ সাংগঠনিক সম্পাদক দুলাল নাথৰ। লগতে তেখেতে কয় যে অসম সাহিত্য সভাৰ ২০২৫-২৭ বৰ্ষৰ ভাষাবিদ ড° বসন্ত কুমাৰ গোস্বামী আৰু প্ৰধান সম্পাদক দেৱজিৎ বৰা দেৱৰ নেতৃত্বত বৌদ্ধিক জগতৰ লোকসকলক অসম সাহিত্য সভাৰ পতাকা তললৈ আমি অহৰহ চেষ্টা অব্যাহত ৰাখিছো। আহক আমি সকলোৱে অসম সাহিত্য সভাৰ পৱিত্ৰ পতাকাৰ তলত সমৱেত হৈ ভাষা জননীৰ সেৱাত ব্ৰতী হওঁ। যোৱা এক ছেপ্টেম্বৰত শোণিতপুৰ জিলাৰ তেজপুৰ চিকিৎসা মহাবিদ্যালয় প্ৰাঙ্গণত দিনৰ ২-৪৫ বজাৰ পৰা নতুন শাখা গঠন সম্পৰ্কে মহাবিদ্যালয়খনৰ প্ৰেক্ষাগৃহত এখনি সাধাৰণ সভা অনুষ্ঠিত যায়। মহাবিদ্যালয়খনৰ অধ্যক্ষ তথা বিশিষ্ট লেখক, সুসাহিত্যিক অধ্যাপক ডাঃ কৰুণা হাজৰিকা দেৱৰ সভাপতিত্বত আৰু মহাবিদ্যালয়খনৰ কৰ্মচাৰী তথা অসম সাহিত্য সভাৰ স্বজাতীয় মৈত্ৰীবন্ধন উপ সমিতিৰ আহ্বায়ক তথা সাহিত্যকৰ্মী, সাংবাদিক ৰমেন ভৰালীয়ে আঁতধৰা সভাখনত শোণিতপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা শোণিতপুৰ জিলাৰ কেন্দ্ৰীয় প্ৰতিনিধি বাসুদেৱ শৰ্মা আৰু শোণিতপুৰ জিলা সাহিত্য সভাৰ উপ-সভাপতি তথা বিশিষ্ট লেখক প্ৰবীণ কটকীয়ে অতিথি হিচাপে অংশ গ্ৰহণ কৰি ভাষণ প্ৰদান কৰে। সভাপতিৰ ভাষণত চিকিৎসা মহাবিদ্যালয়খনৰ অধ্যক্ষ ডাঃ কৰুণা হাজৰিকাই কয় যে ১৯৬৮ তেজপুৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ অধিৱেশনত শিশু হিচাবে অংশ গ্ৰহণৰ কথা কৈ নষ্টালজিক হৈ পৰে। তেখেতে আৰু কয় যে চিকিৎসা সেৱা বহু ব্যস্ততাৰ মাজতো মনত খুদুৱাই থকা কথাবোৰ মই ব্যক্তিগতভাৱে লিখি ৰাখো আৰু সময় সুবিধা পালে সেইবোৰ প্ৰকাশৰ ব্যৱস্থা কৰো। নিজৰ লেখা ছপা আখৰত ওলোৱাটোৱেই এজন লেখকৰ বাবে ডাঙৰ কথা। ইয়াৰ উপৰিও চিকিৎসা মহাবিদ্যালয়খনৰ চিকিৎসক তথা কৰ্মচাৰীসকলে শাখা সাহিত্য সভাৰ জৰিয়তে নিজকে অসম সাহিত্য সভাত নিজকে সংপৃক্ত কৰিবলৈ ওলোৱাৰ বাবে সকলোকে ধন্যবাদ জ্ঞাপন কৰে। সভাৰ মাজতে অধ্যক্ষ গৰাকীয়ে নিজে মুখ্য সম্পাদক ৰূপে সম্পাদনা কৰা স্পন্দন স্বাস্থ্য আৰু জীৱনশৈলী নামৰ দ্বিমাসিক আলোচনীখন অতিথিসকলক আগবঢ়ায়। ইয়াৰ পিছতে মহাবিদ্যালয়খনৰ অধ্যক্ষ ডাঃ কৰুণা হাজৰিকাক সভাপতি, ডাঃ নিতু কুমাৰ গগৈক উপ-সভাপতি মনোজ কুমাৰ নাথক সম্পাদক, নিপন জ্যোতি শৰ্মা, প্ৰেৰণা ৰাজখোৱাক সহকাৰী সম্পাদক, জয়ৰাজ শইকীয়াক কোষাধ্যক্ষ, প্ৰকাশন সচিব গিৰিজা কুমাৰ, পত্ৰিকা সম্পাদক সুভ্ৰজিৎ সেনগুপ্তা আৰু সাংগঠনিক সম্পাদক তৃপ্তিৰাণী দাসক লৈ তেজপুৰ চিকিৎসা মহাবিদ্যালয় শাখা সাহিত্য সভা নামাকৰণেৰে নতুন শাখাটি গঠন কৰা হয়। সভাৰ মাজতে অধ্যক্ষ গৰাকীক হিতৈষী সভ্যৰ প্ৰমাণ-পত্ৰ আৰু কেইবাগৰাকী সদস্যক আজীৱন সভ্যৰ প্ৰমাণ-পত্ৰ বিতৰণ কৰা হয়। উল্লেখ্য অতি গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত চিকিৎসা মহাবিদ্যালয়খনৰ প্ৰায় ডেৰ শতাধিক চিকিৎসক আৰু কৰ্মচাৰী উপস্থিতিত সভাখন সফলভাৱে সামৰণি পৰে। শলাগ জ্ঞাপন কৰে ৰমেন ভৰালীয়ে।

# নগাঁৱৰ যুৱ নাট্যকৰ্মী, পৰিচালক ভৱজিৎ কুমাৰ শইকীয়াক 'ৰংমহল-২০২৫' সন্মান



**জয়ন্ত মুদৈ, নগাঁও ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ দাঁতি কাষৰীয়া এফলীয়াবঢ়িৰ নিৱাসী যুৱ নাট্যকৰ্মী, সাংস্কৃতিক সংগঠক তথা শিক্ষক ভৱজিৎ কুমাৰ শইকীয়ালৈ এইবাৰ আগবঢ়োৱা হৈছে 'ৰংমহল-২০২৫' সন্মান। আচলতে, নগাঁৱৰ ঘাইকৈ গ্ৰামাঞ্চলত নাট্য চৰ্চাৰ পৰিৱেশ গঢ়ি তোলাৰ ক্ষেত্ৰত উল্লেখনীয় অৱদান যোগাই অহাৰ হেতু জিলাখনৰ 'ৰংমহল' নামৰ চল্লিশ বছৰ গৰকা নাট্যানুষ্ঠানটিয়ে যুৱ শিল্পীগৰাকীক এই সন্মান প্ৰদান কৰিছে। জানিব পৰা মতে, নাট্যপ্ৰৱৰ সাৰদাকান্ত বৰদলৈৰ স্মৃতি দিৱস উপলক্ষে যোৱা ৫ ছেপ্টেম্বৰৰ নিশা নগাঁও জিলা পুথিভঁৰালত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত যুৱ নাট্যকৰ্মীগৰাকীক এই সন্মান প্ৰদান কৰা হয়। বহুকেইজন বিশিষ্ট ব্যক্তিৰ উপস্থিতিত এই বঁটাটি আনুষ্ঠানিকভাৱে প্ৰদান কৰে নগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° হিতেশ ডেকা, প্ৰবীন অভিনেতা উপকূল বৰদলৈ, প্ৰাক্তন বিধায়ক ডাঃ দুৰ্লভ চমুৱা আৰু ৰংমহলৰ সভাপতিয়ে। উল্লেখ্য, শিক্ষকতাৰ দৰে বৃত্তিৰ ব্যস্ততাৰ মাজতো দীৰ্ঘদিনৰে পৰা নাট্যচৰ্চাত সম্পূৰ্ণ একাত্মভাৱে জড়িত থকা ভৱজিৎ কুমাৰ শইকীয়াই জিলাখনৰ বিভিন্ন প্ৰান্তত আয়োজিত নাটকৰ কৰ্মশালাত প্ৰশিক্ষক হিচাপে ভাগ লৈ শিশুসকলক সুক্ষ্মভাৱে নাট্যশিল্পৰ জ্ঞান দি অহাৰ সমান্তৰালভাৱে কেইবাখনো নাট দক্ষতাৰে পৰিচালনা কৰি নাট্যপ্ৰেমীৰ মাজত এখন সুকীয়া আসন ইতিমধ্যে দখল কৰিবলৈ সক্ষম হৈছে। ইফালে, যুৱ নাট্যকৰ্মীগৰাকীৰ এনে সন্মান লাভৰ খবৰে জিলাখনৰ নাট্যপ্ৰেমীসকলক উৎফুল্লিত কৰি তোলাৰ লগতে তেওঁলৈ সকলোৱে শুভেচ্ছা জনাইছে।

# মাজুলী জিলা কৃষি বিভাগৰ উদ্যোগত কাকৰিকটাত মাশ্বৰোম খেতিৰ প্ৰশিক্ষণ

## কাঠফুলা নৱ প্ৰজন্মৰ আদৰ্শ কৃষি আৰু স্বাৱলম্বনৰ পথ ঃ মাধুৰিমা দত্ত




**বিকাশ শইকীয়া, মাজুলী ঃ** 'কাঠফুলা নৱ প্ৰজন্মৰ এক আদৰ্শ কৃষি। অতি কম সময়ত, কম ঠাইতেই উচ্চ প্ৰ'টিনৰ উৎস ওৱেষ্টাৰ মাশ্বৰোম অৰ্থাৎ কাঠফুলা খেতি কৰি স্বাৱলম্বী হ'ব পাৰে। কাঠফুলাক বৈজ্ঞানিক পদ্ধতিৰে উৎপাদন আৰু পেকেজিং কৰি অতি সহজে বজাৰ দখল কৰিব পাৰি, সেয়ে নৱ প্ৰজন্মৰ যুৱক- যুৱতীসকল কাঠফুলা খেতি কৰিবলৈ আগবাঢ়ি আহক'- এই আহ্বান যোৰহাটৰ বিশিষ্ট কাঠফুলা খেতিয়ক মাধুৰীমা দত্তৰ। নামনি মাজুলীৰ কাকৰিকটাত অনুষ্ঠিত হোৱা কাঠফুলা খেতিৰ প্ৰশিক্ষণ প্ৰদান কৰি অভিজ্ঞ কাঠফুলা উৎপাদনকাৰী মাধুৰীমা দত্তই কেনেকৈ কাঠফুলা খেতি কৰিব, কেনেকৈ উচ্চউৎপাদনক্ষম বীজ চিনাক্ত কৰিব, কাঠফুলাৰ পেকেজিং আৰু বজাৰ দখলৰ মূল্যায়ন কেনেকৈ কৰিব সেই সন্দৰ্ভত প্ৰশিক্ষাৰ্থীসকলক তন্ন তন্নকৈ বুজাই দিয়ে। তেওঁ উক্ত প্ৰশিক্ষণথলীতে কাঠফুলা পেকেজিঙৰ বৈজ্ঞানিক ৰীতি-নীতিসমূহ ব্যাখ্যা কৰে আৰু পেকেজিং কৰি দেখুৱাই দিয়ে। মাজুলী জিলা কৃষি বিভাগৰ উদ্যোগত, মাজুলী উন্নয়ন খণ্ডৰ 'আতমা'ৰ সহযোগত নামনি মাজুলীৰ কাকৰিকটাত নৱ প্ৰজন্মৰ কৃষকসকলৰ মাজত মাশ্বৰোম অথাৎ কাঠফুলা খেতিৰ ওপৰত এক উচ্চ পৰ্যায়ৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। নামনি মাজুলীৰ কাকৰিকটাৰ উদীয়মান মাশ্বৰোম খেতিয়ক মনোজ দাসৰ কাঠফুলা ফাৰ্মত অনুষ্ঠিত হোৱা উক্ত প্ৰশিক্ষণ কাৰ্যসূচী আঁত ধৰে 'আতমা'ৰ কৰ্মচাৰী প্ৰাণজিত ভূঞাই। প্ৰশিক্ষণ কাৰ্যসূচীত কমালাবাৰী কৃষি উন্নয়ন বিষয়া পংকজ পুৰাণে মাশ্বৰুমৰ গুণাগুণ, উচ্চ প্ৰ'টিনৰ উৎস ওৱেষ্টাৰ মাশ্বৰুম কৰিবলৈ কৃষকসকলক আহ্বান জনায়। প্ৰশিক্ষণত সমল ব্যক্তি যোৰহাট কেন্দুগুৰিৰ মাধুৰীমা দত্তই মাশ্বৰুমৰ খেতি কৰা বিভিন্ন প্ৰণালী, কাঠফুলাৰ গুণাগুণ ব্যাখ্যা কৰে। তেওঁ সমগ্ৰ অসমত ৩০০০ হেজাৰ মাশ্বৰোম কৃষকে বজাৰ দখল কৰি আছে বুলি উল্লেখ কৰে আৰু মাজুলীৰ কৃষকসকলে মাশ্বৰোমৰ বজাৰ নাপালে তেওঁ ক্ৰয় কৰিব বুলি উল্লেখ কৰে। বিশিষ্ট মাশ্বৰোম উৎপাদনকাৰী মাধুৰীমা দত্তই নিজেই মাশ্বৰোমৰ পৰা বিস্কুট, আচাৰ, কেক আদিও প্ৰস্তুত কৰি আছে বুলি প্ৰশিক্ষণত প্ৰকাশ কৰে। প্ৰশিক্ষণত মুখ্য অতিথি হিচাপে মাজুলী জিলা কৃষি বিষয়া নাছেৰ ইকবাল ৰেজাই মাশ্বৰোম খেতিয়কৰ বাবে থকা চৰকাৰী সাহায্য সন্দৰ্ভত ব্যাখ্যা আগবঢ়ায় আৰু মাশ্বৰোম খেতিৰ মূল্য সংযোজন, মাশ্বৰোমৰ সংৰক্ষণ আৰু বজাৰ দখলৰ বিভিন্ন কৌশলসমূহ ব্যাখ্যা কৰে। নামনি মাজুলীৰ ৪০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা এই প্ৰশিক্ষণত প্ৰশিক্ষাৰ্থীসকলৰ লগত সমল ব্যক্তি মাধুৰীমা দত্তই মত বিনিময়ও কৰে। অনুষ্ঠানত স্বেচ্ছাসেৱী সংগঠন আয়াং ট্ৰাষ্টৰ কৰ্মচাৰীয়েও অংশগ্ৰহণ কৰে। প্ৰশিক্ষণৰ শলাগ জ্ঞাপন কৰে মাশ্বৰোম কৃষক মনোজ দাসে।

### উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ উদ্যোগত

# সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি গীতে-মাতে কথাৰে শীৰ্ষক এটি অনুষ্ঠান........



**উত্তৰ গুৱাহাটী ঃ** উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ উদ্যোগত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি ইংৰাজী ৮ ছেপ্টেম্বৰ তাৰিখে 'ড° হাজৰিকাৰ গীতে-মাতে কথাৰে' শীৰ্ষক এটি অনুষ্ঠান অনুষ্ঠিত হৈ যায়। এই অনুষ্ঠানৰ আঁত ধৰে মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা ড° বনিমা তালুকদাৰে। অনুষ্ঠানৰৰ আৰম্ভণিতে ড° হাজৰিকাৰ স্মৃতিত বন্তি প্ৰজ্বলন কৰে ড° ৰুণুমী দেৱীয়ে। তেওঁক সহযোগিতা কৰে মহাবিদ্যালয়ৰ শৈক্ষিক সমন্বয়ক ৰসায়ন বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক প্ৰদীপ কুমাৰ কলিতাই। উপস্থিত শিক্ষক শিক্ষয়িত্ৰীবৃন্দই স্মৃতি তৰ্পণ কৰে। অনুষ্ঠানত 'নৱ প্ৰজন্মৰ ওপৰত ড° ভূপেন হাজৰিকাৰ গীতৰ প্ৰভাৱ' শীৰ্ষক বক্তৃতা প্ৰদান কৰে মহাবিদ্যালয়ৰ ছাত্ৰ উদ্ধৱ কলিতাই। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° তাৰিণী কান্ত হালৈয়ে 'ড° ভূপেন হাজৰিকাৰ জীৱন আৰু সৃষ্টি'ৰ ওপৰত এক বক্তৃতা প্ৰদান কৰে। হালৈয়ে ড° হাজৰিকাৰ প্ৰতিটো গীত সৃষ্টিৰ আঁৰত এটা এটা কাহিনী যে জড়িত আছে তাক উল্লেখ কৰে। ড° হাজৰিকাৰ বহুতো গীতত ৰোমান্টিকতা বিৰাজমান বুলি তেওঁ কয়। কম সময়ৰ ভিতৰত ড° হাজৰিকাৰ বিশাল কৰ্মৰাজি ব্যাখ্যা কৰাটো সম্ভৱ নহয় বুলিও তেওঁ কয়। অনুষ্ঠানত শিক্ষক গোটৰ সভাপতি অনুপম ঠাকুৰীয়া, শৈক্ষিক সমন্বয়ক প্ৰদীপ কুমাৰ কলিতা, ইংৰাজী বিভাগৰ সহযোগী অধ্যাপিকা ড° মালচী চৌধুৰী, অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক ড° সঞ্জয় পাথাৰীয়ে ড° হাজৰিকাৰ সৃষ্টিৰাজিৰ ওপৰত বক্তব্য দাঙি ধৰে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী ক্ৰমে অৰিন্দম চাংকাকতি, বাস্তৱ বৰুৱা, ধৃতিস্মৃতা বৰুৱা, সহকাৰী অধ্যাপক নেপুৰ ৰঞ্জন হাজৰিকা, কৰ্মচাৰী নৃপেন হালৈয়ে ড° হাজৰিকাৰ বিভিন্ন কালজয়ী গীত অনুষ্ঠানত পৰিৱেশন কৰে। গীতসমূহত বাদ্যযন্ত্ৰ সংগত কৰে গীতিশ দাস আৰু নৃপেন হালৈয়ে। মিন্টু দাসৰ 'সুধাকণ্ঠৰ সুৰৰ সুষমাত' শীৰ্ষক কবিতা আবৃত্তি কৰে মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা ড° বনিমা তালুকদাৰে। অনুষ্ঠানৰ শেষত শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ- ছাত্ৰী, কৰ্মচাৰী সমন্বিতে সুধাকণ্ঠৰ এক কালজয়ী গীত 'মানুহে মানুহৰ বাবে' সমৱেতভাৱে পৰিৱেশন কৰে।




Janasanyog RO no 2011/25/12-September-25

# চকলাঘাটত প্ৰতিথযশা নাট্যশিল্পী নেত্ৰকমল বৰঠাকুৰলৈ ওপজা দিনত ব্যতিক্ৰমী শ্ৰদ্ধাৰ্ঘ

## ছুটি চবি 'সোমনাথ বিদ্যাপীঠ'ৰ শুভমুক্তি



**জয়ন্ত মুদৈ, নগাঁও ঃ** অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ প্ৰথমগৰাকী স্নাতক ডিগ্ৰীধাৰী সুদক্ষ অভিনেতা, পৰিচালক, নাট্যকাৰ, প্ৰযোজক তথা শিক্ষাবিদ প্ৰয়াত নেত্ৰকমল বৰঠাকুৰৰ ৯০ সংখ্যক জন্মদিনটো যোৱা ৫ ছেপ্টেম্বৰৰ নিশা তেওঁৰ নগাঁও জিলাৰ চকলাঘাটৰ ব্ৰাহ্মণগাঁওস্থিত বাসভৱনৰ বাকৰিত ব্যতিক্ৰমভাৱে পালন কৰা হয়। জন্মদিনৰ লগত সংগতি ৰাখি প্ৰয়াত বৰঠাকুৰৰ ৰচনাৰে তেওঁৰ সহধৰ্মিনী মঞ্জুমনি বৰঠাকুৰৰ প্ৰযোজনা আৰু মনোজিত শৰ্মাই পৰিচালনা কৰা 'সোমনাথ বিদ্যাপীঠ'নামৰ ছুটি ছবিখনৰ শুভ মুক্তি দিয়া হয়। ছবিখন আনুষ্ঠানিকভাৱে দৰ্শকৰ মাজলৈ মুকলি কৰি দিয়ে প্ৰয়াত বৰঠাকুৰৰ প্ৰিয় সতীৰ্থ তথা অধুনালুপ্ত 'গাদী' নাট্যগোষ্ঠীৰ সম্পাদক তথা প্ৰবীণ অভিনেতা দীগেন্দ্ৰ নাথ বৰাই। উক্ত অনুষ্ঠানৰ আৰম্ভণিতে প্ৰয়াত বৰঠাকুৰৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে তেওঁৰ সহপাঠী তথা অৱসৰী শিক্ষা বিষয়া প্ৰবীণ চন্দ্ৰ শৰ্মাই। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত শিক্ষাবিদ ৰাণা প্ৰকাশ বৰা, প্ৰবীণ অভিনেতা দেৱ কুমাৰ বৰা, শিশু সাহিত্যিক ত্ৰৈলোক্য ভট্টাচাৰ্য আৰু জ্যেষ্ঠ অভিনেতা পংকজ বৰুৱাই প্ৰয়াত বৰঠাকুৰৰ বৰ্ণাঢ্য জীৱন পৰিক্ৰমা আৰু অসমৰ নাট্যজগতলৈ আগবঢ়োৱা তেওঁৰ অৱদানৰ লগতে তেওঁলোকে পোৱা সান্নিধ্যৰ বিষয়ে আলোকপাত কৰি নষ্টালজিক হৈ পৰে। অনুষ্ঠানত প্ৰয়াত বৰঠাকুৰৰ একালৰ নাট্য সহযোগী প্ৰমোদ চন্দ্ৰ শৰ্মা, পদুম বৰা, চন্দ্ৰ ভৰালী আদিৰ লগতে অভিনেতা বিপুল চন্দ্ৰ শইকীয়া, সংগীতকাৰ দিপাংক শইকীয়া, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক কল্যাণ কুমাৰ বৰা, সাংস্কৃতিক কৰ্মী দৰ্শন মহন্ত, বিশিষ্ট নাট্যকাৰ ধ্ৰুৱজ্যোতি বৰা, নাট্যকৰ্মী হিৰক গোস্বামী, ৰিতুৰাজ বৰঠাকুৰ, নবাৰুণ বৰা, পল্লৱ জ্যোতি বৰা, ৰাজীৱ বৰা আৰু ছুটিছবিখনৰ মুখ্য সহকাৰী পৰিচালককে প্ৰমুখ্য কৰি প্ৰায় সংখ্যক কলা-কুশলী উপস্থিত থাকে। অনুষ্ঠানত ছবিখনৰ শিশু শিল্পী কুহেলিকা হাজৰিকা, প্ৰকৃতি প্ৰিয়া হাজৰিকা আৰু মেঘা কলিতা উপস্থিত থাকি ৰূপালী পৰ্দাত নিজকে প্ৰত্যক্ষ কৰি অনাবিল আনন্দ লাভ কৰা দেখা যায়। অভিনেতা অচ্যুতানন্দ মেধীয়ে আঁত ধৰা অনুষ্ঠানটিত 'গাদী' নাট্যগোষ্ঠীৰ প্ৰবীণ অভিনেতাসকলক পৰিয়ালৰ ফালৰ পৰা একোখনকৈ গামোচাৰে আদৰণি জনায় মঞ্জুমনি বৰঠাকুৰ আৰু অজয় বৰঠাকুৰে। উল্লেখ্য যে, প্ৰণৱ বৰুৱাৰ চিত্ৰনাট্য, অহিৰ বৈৰভৰ সংগীতৰ লগতে শিল্পীসকলৰ সুন্দৰ অভিনয়ৰ যোগেদি 'সোমনাথ বিদ্যাপীঠ' এখন উন্নত মানদণ্ডৰ ছুটি ছবি হৈছে বুলি উল্লেখ কৰি অনুষ্ঠানত উপস্থিত থকা লেখক, শিক্ষক শোনিত ৰঞ্জন হাজৰিকাই কয় যে-ছবিখনত দুটা প্ৰধান বাৰ্তা ডাইনী বিশ্বাস আৰু বিদ্যালয়ৰ শিক্ষক সুৱাপ্ৰেমী হ'লে কিমান ভয়ানক এটা পৰিস্থিতিৰ সৃষ্টি হ'ব পাৰে তাক সুন্দৰভাৱে উপস্থাপন কৰিছে। তদুপৰি এগৰাকী সুন্দৰী তথা 'ললিতা' সদৃশ শিক্ষিত বিধৱাৰ কেৱল জৈবিকতাকলৈ ঋণাত্মক দৃষ্টিৰে সমাজে গ্ৰহণ কৰা প্ৰৱণতাৰ দৰে আন এটা দিশো ছবিখনত দাঙি ধৰাত কাহিনীকাৰ আৰু পৰিচালক সফল হৈছে। সেয়ে আশা কৰিম ছুটি ছবিখন আন্তৰ্জাতিক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰক।

# মাজুলীত অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ উদ্যোগত ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী শুভাৰম্ভ



**বিকাশ শইকীয়া, মাজুলী ঃ** অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ মাজুলী জিলা সমিতিৰ উদ্যোগত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ শুভাৰম্ভ কৰা হয়। এই উপলক্ষে মাজুলীৰ ৰঙাচাহী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত বিশ্বৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ আৰম্ভণি অনুষ্ঠানত কেইবা শতাধিক আবৃত্তিকাৰে ড° অমৰজ্যোতি চৌধুৰীৰ জনপ্ৰিয় কবিতা 'মৃত্যু জিনাৰ গান' আবৃত্তি কৰে। অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ মাজুলী জিলা সমিতিৰ সম্পাদক যতীন্দ্ৰ নাথ মুদৈয়ে উক্ত কাৰ্যসূচী পৰিচালনা কৰে। পুৱা অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ পতাকা উত্তোলন কৰে মাজুলী জিলা সমিতিৰ উপদেষ্টা ড° অৰূপ কুমাৰ বৰাই। তাৰপিছত ড° ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ আৰু স্মৃতি তৰ্পণ কৰে অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ ৰাজিক সম্পাদক ড° মন্টু কুমাৰ বৰাই। অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে ৰঙাচাহী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৰ কুমাৰ গামে। দুপৰীয়া বাৰ বজাত অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ উদ্যোগত মাজুলীৰ আবৃত্তিকাৰসকলে ড° অমৰজ্যোতি চৌধুৰীৰ বহু জনপ্ৰিয় কবিতা 'মৃত্যু জিনাৰ গান' আবৃত্তি কৰে। কবিতা আবৃত্তিৰ প্ৰশিক্ষক মৃণালিনী দেৱী, জ্যোৎস্না ভূঞা, পাৰুল বৰা মিলিৰ পৰিচালনাৰে মাজুলীৰ বিভিন্ন বিদ্যালয় মহাবিদ্যালয়ৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে উক্ত যুগজয়ী কবিতাটো আবৃত্তি কৰি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। তাৰপিছত ৰঙাচাহী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত মুকলি সভা অনুষ্ঠিত হয়। সম্পাদক যতীন্দ্ৰ নাথ মুদৈয়ে আঁত ধৰা উক্ত, মুকলি সভাত সভাপতিত্ব কৰে মাজুলী জিলা আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ সভাপতি দিগন্ত শইকীয়াই। সভাত মুখ্য অতিথিৰ তত্ত্বগধুৰ ভাষণ প্ৰদান কৰে ড° মন্টু কুমাৰ বৰাই। ড° বৰাই আবৃত্তিক এক মহান কলা বুলি উল্লেখ কৰি বিদ্যালয় মহাবিদ্যালয়ৰ পাঠ্যক্ৰমত আবৃত্তিক অন্তৰ্ভুক্ত কৰিবলৈ দাবী জনায়। সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে যোৰহাট জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপিকা ড° বিদিশা বুঢ়াগোহাঁইয়ে। উক্ত, মুকলি সভাত বিশিষ্ট অতিথি হিচাপে মাজুলী জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল কুমাৰ বৰুৱা, মাজুলী জিলা কবি সন্মিলনৰ সভাপতি যুগল হাজৰিকা আৰু মাজুলী জিলা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী মণিকা মহন্ত, সাংবাদিক যদু কলিতাই অংশগ্ৰহণ কৰি ভাষণ প্ৰদান কৰে। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে সম্পাদক যতীন্দ্ৰ নাথ মুদৈয়ে।

# নগাঁৱত সক্ৰিয় ৰাজনীতিত নমাৰ লক্ষ্যৰে চাকৰি এৰিলে বিষয় শিক্ষকে

## শিক্ষক দিৱসত ছয় সহস্ৰাধিক শিক্ষক-শিক্ষয়িত্ৰীক জনালে সম্বৰ্ধনা



**জয়ন্ত মুদৈ, নগাঁওঃ** নগাঁও জিলাৰ ডুমডুমীয়াৰ জাৰামাৰী গাঁৱৰ নিবাসী এজন ব্যক্তি। নাম তেওঁৰ মনোৱাৰ হুছেইন ফাৰুকী। দীৰ্ঘদিন ধৰি কংগ্ৰেছ দলৰ প্ৰতি আকৃষ্ট হৈ আহিছে এই লোকজনে। কিন্তু সক্ৰিয় ৰাজনীতিত জড়িত হ'ব পৰা নাছিল তেওঁ। কাৰণ পেছাত তেওঁ এগৰাকী বিষয় শিক্ষক। জিলাখনৰ ধিঙৰ সমীপৰ বেছামাৰী এম আই উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিষয় শিক্ষক হিচাপে তেওঁ কৰ্মৰত। সেয়ে সিদ্ধান্ত ল'লে চৰকাৰী চাকৰি ত্যাগ কৰাৰ। ভবা মতেই কাম। যোৱা ২৬ আগষ্টত তেওঁ পদত্যাগ পত্ৰ আনুষ্ঠানিকভাৱে দাখিল কৰে তেওঁ কৰ্মৰত শিক্ষানুষ্ঠানখনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষৰ হাতত। এই পদত্যাগ-পত্ৰ পৰৱৰ্তী সময়ত ভাৰপ্ৰাপ্ত অধ্যক্ষই প্ৰেৰণ কৰে নগাঁও জিলা সংমণ্ডল বিদ্যালয়সমূহৰ পৰিদৰ্শকলৈ। ইফালে, সমগ্ৰ ৰাজ্যত হাজাৰ হাজাৰ নিবনুৱাই এটি চৰকাৰী চাকৰিৰ বাবে হামৰাও কাঢ়ি থকাৰ সময়তে এগৰাকী বিষয় শিক্ষকে মূলতঃ সক্ৰিয় ৰাজনীতিত জড়িত হোৱাৰ লক্ষ্যৰে চৰকাৰী চাকৰি স্বেচ্ছাই ত্যাগ কৰাৰ খবৰে চৰ্চা লাভ কৰাৰ সময়তে তেওঁ যোৱা শিক্ষক দিৱসৰ দিনা সহস্ৰাধিক শিক্ষকক সম্বৰ্ধনা জনাই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। আচলতে, ধিং সমষ্টিৰ বাসিন্দা মনোৱাৰ হুছেইন ফাৰুকীয়ে আগন্তুক বিধানসভা নিৰ্বাচনৰ কংগ্ৰেছৰ দলৰ প্ৰাৰ্থিত্ব প্ৰত্যাশী হিচাপে চাকৰি ত্যাগ কৰিয়েই সক্ৰিয় ৰাজনীতিত নামি পৰিছে বুলি জানিব পৰা গৈছে। সেই হেতু দেশৰ দ্বিতীয় ৰাষ্ট্ৰপতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্মদিনৰ লগত সংগতি ৰাখি তেওঁ ধিং সমষ্টিৰ এলেকাধীন চৰকাৰী আৰু বেচৰকাৰী শিক্ষানুষ্ঠানৰ প্ৰায় ছয় হাজাৰ শিক্ষক-শিক্ষয়িত্ৰীক সম্বৰ্ধনা জ্ঞাপন কৰে। সমষ্টিটোৰ বেচামাৰী, মৈৰাধ্বজ, টুকটুকী, ধুপগুৰি, ৰজাবাৰী, কদমনি, ৰামপুৰ, ছলাপথাৰ, লালীপথাৰ, হাতীমূৰীয়া, তাতীকটা, লহকৰ, কান্দুলীমাৰী, বলিকটিয়া, জাৰামাৰী, বালিসত্ৰ, ডুমডুমীয়া, শলগুৰি, ধিং, বিলতীয়া, সোৱনশিৰি, কটহগুৰি, বৰদোৱা, বৌমাৰী, আমলখি, পতিয়া চাপৰি, বাৰোআটি আদি বিভিন্ন অঞ্চলত থকা বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলক সম্বৰ্ধনা জ্ঞাপন কৰি মনোৱাৰ হুছেইন ফাৰুকীয়ে কয় যে- শিক্ষক সকলৰ ত্যাগ আৰু কষ্টৰ বিনিময়ত হে সমাজত শান্তি, সম্প্ৰীতি আৰু ভাতৃত্ববোধৰ চানেকি বিৰাজমান হয়। শিক্ষকসকলে শ্ৰেণীকোঠাত নিৰ্মাণ কৰি আছে ভাৰতবৰ্ষৰ ভৱিষ্যত। মানৱ সম্পদ সৃষ্টি কৰি বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ জৰিয়তে দেশ এখন উন্নত দেশলৈ গতি কৰাৰ আঁৰত শিক্ষকসকলৰ অৱদান অনস্বীকাৰ্য। আমাৰ দেশৰ প্ৰকৃত নিৰ্মাণকাৰী সকলেই হ'ল শিক্ষক। উল্লেখ্য যে, অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ আৰু নগাঁও লোকসভা সমষ্টিৰ সাংসদ প্ৰদ্যুৎ বৰদলৈৰ আদৰ্শৰ প্ৰতি আকৃষ্ট হৈয়েই বিদ্যালয়ৰ বিষয় শিক্ষকৰ পদৰ পৰা ইস্তাফা দি এইদৰে প্ৰত্যক্ষ ৰাজনীতিত এতিয়া জড়িত হৈ পৰিছে নিৰ্বাচন খেলিবলৈ মন মেলা এইগৰাকী প্ৰাৰ্থিত্ব প্ৰয়াসী মনোৱাৰ হুছেইন ফাৰুকীয়ে।

# বামুন্দীত মৰেল পুলিচ ঘটনা ঃ আছুকে ধৰি দল-সংগঠনৰ গৰিহণা

**প্ৰবীণ কুমাৰ দাস, গুৱালকুছি ঃ** কামৰূপ জিলাৰ গুৱালকুছি আৰক্ষী থানাৰ অন্তৰ্গত বামুন্দীত সংঘটিত এক শিহৰণকাৰী মৰেল পুলিচিঙৰ ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ভুক্তভোগী পৰিয়াল সূত্ৰে জানিব পৰা মতে, গুৱালকুছি আৰক্ষী থানাৰ অন্তৰ্গত বামুন্দীৰ শ্ৰীমান চক্ৰৱৰ্তী একাডেমি নামৰ ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী শ্ৰীকান্ত কলিতাই ৬ ছেপ্টেম্বৰত একাডেমীৰ ছুটিৰ পিছত তলা বন্ধ কৰি থকাৰ সময়তে একাডেমিখনৰ পৰিচালনা সমিতিৰ বিষয়া তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰীক্ষা নিয়ন্ত্ৰক কন্দৰ্প কুমাৰ শৰ্মাই একাডেমিখনত উপস্থিত হয়। কৰ্মচাৰী গৰাকীক শ্ৰেণী কোঠাৰ তলা খুলিবলৈ কৈ কোনো প্ৰশ্নৰ অৱতাৰণা নকৰাকৈয়ে লাঠীৰে উপৰ্যুপৰি প্ৰহাৰ কৰাত গুৰুতৰভাৱে আহত হৈ চিকিৎসাধীন হ'বলগীয়া হয় আদবয়সীয়া শ্ৰীকান্ত কলিতা। কন্দৰ্প কুমাৰ শৰ্মাই শ্ৰীকান্ত কলিতা নামৰ আদ-বয়সীয়া ব্যক্তি গৰাকীক একাডেমিখনৰ এটা কোঠাৰ ভিতৰত আৱদ্ধ কৰি উপৰ্যুপৰি লাঠিৰে প্ৰহাৰ কৰিছিল বুলি মন্তব্য কৰে ভুক্তভোগী শ্ৰীকান্ত কলিতাই। আনহাতে, শিক্ষিত সমাজক লজ্জানত কৰা এনেধৰণৰ মৰেল পুলিচিঙৰ ঘটনা সংঘটিত হোৱাৰ পিছতে জাঙুৰ উঠিছে অঞ্চলটোৰ সচেতন ৰাইজ তথা দল-সংগঠন। সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাই শিক্ষিত সমাজক লজ্জিত কৰা মৰেল পুলিচৰ এই ঘটনাক তীব্ৰ গৰিহণা দি অতিশীঘ্ৰে প্ৰশাসনে উচিত তদন্ত কৰি বিহীত ব্যৱস্থা ল'বলৈ কামৰূপ জিলা প্ৰশাসনৰ ওচৰত আহ্বান জনাইছে। আছুৰ প্ৰাক্তন ৰাজিক কাৰ্যনিৰ্বাহক পংকজ কলিতাই কয় যে এগৰাকী উচ্চ শিক্ষিত ব্যক্তিয়ে এনেধৰণৰ শিক্ষিত সমাজক লজ্জিত কৰি মৰেল পুলিচৰ দৰে ঘটনা সংঘটিত কৰা কাৰ্যক গৰিহণা দি তেওঁ শীঘ্ৰে প্ৰশাসনক বিহীত ব্যৱস্থা ল'বলৈ আহ্বান জনায়। উল্লেখ্য, গুৱাহাটী বিশ্ব বিদ্যালয়ৰ পৰীক্ষা নিয়ন্ত্ৰক কন্দৰ্প কুমাৰ শৰ্মা কামৰূপ জিলাৰ বামুন্দীৰ শ্ৰীমান চক্ৰৱৰ্তী একাডেমীৰ পৰিচলনা সমিতিৰ দায়িত্বত আছে বুলি মন্তব্য কৰিছে আছুকে ধৰি স্থানীয় দল-সংগঠনে।

# শিমলুগুৰিত সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা (কুমৰ হৰণ হৰি-হৰ যুদ্ধ)



**বিশেষ সংবাদদাতা, শিমলুগুৰি, নাৰায়ণপুৰ ঃ** শৰতৰ আগমণৰ সন্ধিক্ষণত শিশুৰ পৰা বয়োজ্যেষ্ঠলৈকে সকলোৰে মন আৰু চৌপাশত এক ফৰকাল পৰিৱেশ সৃষ্টি হয়। গীত-নৃত্য-উৎসৱৰ মধুৰ আলোড়ন প্ৰকাশি উঠে। অতি সম্প্ৰতি সৃষ্টিশীল আধুনিক নৃত্যই সকলোতে সমাদৰ পাইছে আৰু ছাত্ৰ-ছাত্ৰীসকলেও বহু অনুশীলন সাধনাৰে বহুখিনি পাৰদৰ্শিতা প্ৰতিফলন কৰি তুলিবলৈ সক্ষম হৈছে। লখিমপুৰ জিলাৰ শিমলুগুৰিত ৭ চেপ্তেম্বৰ ২০২১ চনত প্ৰতিষ্ঠা হোৱা ডায়মণ্ড ডাঞ্চ একাডেমীৰ উদ্যোগত আয়োজন কৰা সৃষ্টিশীল আধুনিক নৃত্য প্ৰতিযোগিতাখনিত ধেমাজী, লখিমপুৰ, বিহপুৰীয়া, হাৰমতী, ৰঙতি, নাৰায়ণপুৰ, গুৱাহাটী আদি স্থানৰপৰা বহুসংখ্যক একক আৰু দলীয় প্ৰতিযোগীয়ে আহি অংশগ্ৰহণ কৰে। কবি, শিক্ষক বিতোপন গগৈৰ সঞ্চালনাত হোৱা প্ৰতিযোগিতাখনিত চাৰিগৰাকী বিচাৰকে অংশগ্ৰহণ কৰে। আয়োজক সমিতিৰ সম্পাদক দেৱজিৎ দুৱৰাই আঁত ধৰা আৰু একাডেমীৰ অধ্যক্ষ ৰাকেশ কোঁৱৰে বিশেষ উদ্যোগ লোৱা অনুষ্ঠানৰ উদ্বোধন কৰে সমাজসেৱক নৱজিৎ বৰাই। বঁটা বিতৰণী সভাত বিশিষ্ট অতিথি হিচাবে অংশগ্ৰহণ কৰে সমাজসেৱক ৰাজীৱ বৰুৱাই। ৰাতি ছাত্ৰ-ছাত্ৰীসকলে সুন্দৰভাৱে 'কুমৰ হৰণ হৰি-হৰ যুদ্ধ' ভাওনা প্ৰদৰ্শন কৰে আৰু ভাওনাৰ উদ্বোধন কৰে শিমলুগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ধ্ৰুৱজ্যোতি শইকীয়াই। আয়োজক সমিতি সভাপতি ৰাজু বৰা, কাৰ্যকৰী সভাপতি নিৰোদ গগৈয়ে ৰাইজৰ ব্যাপক সঁহাৰিৰ বাবে শলাগ জ্ঞাপন কৰা কাৰ্যক্ৰমত উপস্থিত থাকে সাংবাদিক চিত্ৰনাথ গগৈ, দেৱজ্যোতি কাকতি, শিক্ষক ৰাতুল গগৈ, দীপক ইছলাৰী, ৰিণটি গগৈ, ৰূপা ডেকা, মৃদুস্মিতা কোঁৱৰকে প্ৰমুখ্য কৰি ভালেসংখ্যক।

# সদৌ অসম শাখা সহকাৰী আৰু উপ-অভিযন্তা সেৱা সন্থাৰ ৬১ সংখ্যক অধিৱেশন সম্পন্ন

## ত্যাগৰ মনোভাৱেৰে ৰাইজৰ সেৱা আগবঢ়াবলৈ আহ্বান




**বিশেষ সংবাদদাতা, নগাঁও ঃ** ইতিহাসপ্ৰসিদ্ধ নগাঁও ছোৱালী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত সফলতাৰে অনুষ্ঠিত হয় সদৌ অসম শাখা সহকাৰী আৰু উপ-অভিযন্তা সেৱা সন্থাৰ ৬১ সংখ্যক বাষিক সাধাৰণ সভা আৰু মকলি অধিৱেশন। ১৯৩৯ চনত জন্ম হোৱা অসমৰ শ্ৰমিক কৰ্মচাৰী সংগঠনৰ ভিতৰত আটাইতকৈ পুৰণি সংগঠনটোত অন্তৰ্ভুক্ত হৈ আছে লোক নিৰ্মান (গড়কাপ্তানি), জলসম্পদ, জনস্বাস্থ্য কাৰিকৰী আৰু জলসিঞ্চন বিভাগৰ শাখা সহকাৰী আৰু উপ-অভিযন্তাসকল। সন্থাৰ সভাপতি শৰৎ দাসে পুৱা পতাকা উত্তোলন কৰি অধিৱেশনৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। নগাঁও জিলা সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি দেবেন কুমাৰ বড়োৱে ছহিদ তৰ্পন অনুষ্ঠান মুকলি কৰে। সন্থৰ প্ৰাক্তন সাধাৰণ সম্পাদক তথা মুখ্য উপদেষ্টা লাৱণ্য শইকীয়াই সভা উদ্বোধন কৰি ১৯৩৯ চনৰ পৰা সন্থাই সদস্যসকলৰ অভাৱ-অভিযোগ মীমাংসা কৰাৰ লগতে ৰাজ্যৰ উন্নয়নৰ বাবে চৰকাৰে গ্ৰহণ কৰা বিভিন্ন জনহিতকৰ আঁচনিবোৰৰ বাস্তৱ ৰূপ দিয়াত পৰিস্থিতি সাপেক্ষে দিনে-নিশাই, ৰ'দে-বৰষুণে কিদৰে একোটা দুৰ্যোগপূৰ্ণ মুহূৰ্ততো কাম কৰি জনসাধৰণলৈ সেৱা আগবঢ়োৱা কথা ব্যাখ্যা কৰে। তেওঁ সদস্যসকলক ত্যাগৰ মনোভাৱেৰে কামত অগ্ৰসৰ হ'বলৈ আহ্বান জনায়। সাধাৰণ সম্পাদক শ্যামন্ত দাসে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ পিছতে বাৰ্ষিক সম্পাদকীয় প্ৰতিবেদন আৰু হিচাব পৰীক্ষকৰ পৰিক্ষীত হিচাপ পাঠ কৰাৰ অন্তত সভাই সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰে। সন্থাৰ বিভিন্ন জিলাৰ পৰা অহা ২১৭ জন প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰা সাধাৰণ সভাখনত অষ্টম দৰমহা আয়োগ, গ্ৰেড পে', পদোন্নতি, সাংগঠনিক দিশকে ধৰি সদস্যসকলৰ অভাৱ-অভিযোগৰ ওপৰত আলোচনা কৰি কেইবাটাও প্ৰস্তাৱ গ্ৰহণ কৰে। সন্থাৰ পৰৱৰ্তী' কাৰ্যকালৰ বাবে শ্যামন্ত দাস (নগাঁও)ক সভাপতি, মাধুৰ্য দত্ত (শিৱসাগৰ)ক কাৰ্যকৰী সভাপতি, নিৰঞ্জন কলিতা (তেজপুৰ)ক সাধাৰণ সম্পাদক, নবিন কলিতা (মুছলপুৰ)ক যুটীয়া সম্পাদক, প্ৰাক্তন সভাপতি শৰৎ দাসক মুখ্য উপদেষ্টা হিচাপে লৈ এখন কমিটী গঠন কৰা হয়। সন্থাৰ কেন্দ্ৰীয় সভাপতি শৰৎ দাসৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত প্ৰাক্তন সভাপতি ৰবীন্দ্ৰ কুমাৰ বৰা, উপেন চহৰীয়া আৰু লাৱণ্য শইকীয়াক সম্বৰ্ধনা জনোৱা হয়।

# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ত ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ শুভাৰম্ভণি অনুষ্ঠান



**বিশেষ সংবাদদাতা, নগাঁও ঃ** সমগ্ৰ ৰাজ্যৰ লগতে নগাঁৱৰ উচ্চ শিক্ষাৰ অনুষ্ঠান মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়তো দিনজোৰাকৈ ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী অনুষ্ঠানৰ শুভাৰম্ভণি কৰা হয়। বিশ্ববিদ্যালয় সংগীত পৰিৱেশনেৰে শুভাৰম্ভ হোৱা এই অনুষ্ঠানৰ উদ্বোধন কৰে বিশ্ববিদ্যালয়ৰ উপ-পঞ্জীয়ক (শৈক্ষিক) ড° বিচিত্ৰ বিকাশে। এই অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশলৈ শিল্পী, শিক্ষক ৰঞ্জন বেজবৰুৱাই ভূপেন হাজৰিকাৰ স্মৃতি ৰোমন্থন কৰাৰ লগতে হাজৰিকাৰ গীতক সংস্কৃতলৈ অনুবাদ কৰি শিল্পীজনাৰ গীতসমূহ আন্তৰাষ্ট্ৰীয় পৰ্যায়লৈ লৈ যোৱাৰ যি প্ৰচেষ্টা সেই কথা সোঁৱৰি কেইবাটাও গীত পৰিৱেশন কৰে। ইয়াৰ সমান্তৰালকৈ বিশ্ববিদ্যালয়ৰ সাবিত্ৰী তেৰংপি, দিক্ষীতা কাকতি, সুদৰ্শনা কাশ্যপ, কুন্দলিনি শইকীয়াৰ লগতে কণমানি শিল্পীদ্বয় মহৰ্ষিৰাজ দাস আৰু দেৱৰ্ষিৰাজ দাসে ভূপেন্দ্ৰ সংগীত, অনুসূয়া বৰাই কবিতা পাঠ কৰে। উল্লেখযোগ্য, নগাঁৱৰ সন্তান, ভূপেন হাজৰিকাৰ একান্ত সুহৃদ কমল কটকীয়ে বিশ্ববিদ্যালয়খনে আয়োজন কৰা জন্ম শতবাৰ্ষিকী অনুষ্ঠানলৈ শুভবাৰ্তা প্ৰেৰণ কৰা এটা ভিডিঅ' প্ৰদৰ্শন কৰোৱা হয়। তদুপৰি শিক্ষাৰ্থীসকলৰ প্ৰচেষ্টাত ছাত্ৰ কীৰ্তন গায়নৰ ৰচনা-পৰিচালনাত 'প্লাৱন' নামেৰে ভূপেন হাজৰিকাৰ জীৱন সম্পৰ্কত ৰচিত এখন চুটি নাট আৰু সহকাৰী অধ্যাপক গৌৰৱ প্ৰতিম হাজৰিকাৰ তত্ত্বাৱধানত 'মৰমৰ ভূপেন দা' নামৰ এখন আলেখ্যও প্ৰদৰ্শন কৰে। ছাত্ৰ হিৰক জ্যোতি বৰা আৰু কৰিশ্মা গগৈয়ে আঁতধৰা অনুষ্ঠানৰ শেষত বিশ্ববিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকা, বিষয়া-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে সমস্বৰে অসম আমাৰ ৰূপহী শীৰ্ষক গীতটি পৰিৱেশন কৰে। ইংৰাজী বিভাগৰ ড° জয়ন্ত মাধৱ তামুলীয়ে শৰাগৰ শৰাই আগবঢ়োৱা অনুষ্ঠানটি সফল ৰূপায়ণৰ বাবে আয়োজক সমিতিৰ সভাপতি ড° ত্ৰিৱেণী শইকীয়া, সম্পাদয়ত্ৰয় লিজা কাশ্যপ বৰা, অভিনৱ বৰা, নয়ন নিলিম দাসে সকলোকে ধন্যবাদ জ্ঞাপন কৰে। স্মৰ্তব্য, সন্ধিয়া ৬ বজাত বিশ্ববিদ্যালয়খনৰ চৌহদত শতবৰ্ষ উপলক্ষে ১০০ গছি মাটিৰ চাকি প্ৰজ্বলন কৰা হয়। এই দিৱসৰ লগতে সংগতি ৰাখি বিশ্ববিদ্যালয়খনৰ অসমীয়া বিভাগৰ নৱাৰুণৰ সংখ্যাটিও উন্মোচন কৰা হয়। ভূপেন হাজৰিকাক কেন্দ্ৰ কৰি প্ৰকাশ কৰা এইবাৰৰ নৱাৰুণ উন্মোচন কৰে বিভাগটোৰ মুৰব্বী অধ্যাপক ড° শ্যামলী দলৈয়ে। অনুষ্ঠানত বিভাগৰ অধ্যাপক-অধ্যাপিকা, গৱেষক আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

# যুৱ উচ্ছৃংখলতা ঃ এক চিন্তনীয় বিষয়

■ **জিতুমণি বৈশ্য**, দলিবাৰী

উচ্ছৃংখলতা হৈছে বৰ্তমান সময়ৰ এক অভিনৱ পন্থা। য'ত বেছিভাগ আসক্ত হৈছে আজিৰ নৱ প্ৰজন্ম। শিষ্টাচাৰ, নিয়মানুবৰ্তিতা, সময়ানুবৰ্তিতা তথা সমাজ ব্যৱস্থা কোনো এটাকে মানি চলিবলৈ অপাৰগ।

এই উচ্ছৃংখলতাৰ বাবে দায়ী বা জগৰীয়া কোন? পিতৃ-মাতৃ বা অভিভাৱক-অভিভাৱিকা, শিক্ষা গুৰু নে আন কোনোবা? এই উচ্ছৃংখলৰ বাবে প্ৰধানকৈ দায়ী আৰু জগৰীয়া বিভিন্ন ধৰণে আসক্ত আজিৰ যুৱ সমাজ। নিজৰ অমূল্য জীৱনটোকলৈও তেওঁলোকৰ বিভিন্ন হেতালি। নিজৰ পিতৃ-মাতৃৰ প্ৰতি দায়বদ্ধ নোহোৱা, সমাজত মানৱ সম্পদ গড়ি তোলা শিক্ষাগুৰুসকলৰ প্ৰতি অসন্মান, জ্যেষ্ঠ জনৰ পৰামৰ্শক আওকাণ তথা সমাজত উচ্ছৃংখল আচৰণেৰে নিজকে সৰ্বজ্ঞানী সজোৱা ইত্যাদি.......। বয়স্ক নতুবা জ্যেষ্ঠ গুণী-জ্ঞানী ব্যক্তিৰ যিবোৰ নীতি আদৰ্শ আজিৰ কিছুমান যুৱ প্ৰজন্মৰ বাবে সেই নীতি আদৰ্শবোৰ ভেঙুচালিত পৰিণত হ'ল। শিক্ষাগুৰুৰ অমূল্য নীতি আদৰ্শবোৰ কিতাপ বহীৰ লিখনিতে পৰি ৰ'ল। পিতৃ-মাতৃৰ নিজৰ সন্তানৰ প্ৰতি থকা সপোনবোৰ সপোন হৈয়ে ৰ'ল।

এই উচ্ছৃংখল মনোভাৱ যদি আজিৰ প্ৰজন্মই পৰিহাৰ নকৰে তেন্তে নিজৰ সমাজখনৰ সৰ্বাংগীন উন্নতিৰ বিকাশত বাধাকাৰক হ'ব। সমাজখন নিকা ভাৱমূৰ্তিৰে পৰিচালিত কৰাৰ দায়িত্ব কোনে ল'ব? যিহেতু আজিৰ প্ৰজন্ম ভৱিষ্যতৰ একোজন নাগৰিক। প্ৰথমে নিজকে সংশোধন কৰি আনক মূল সুঁতিলৈ ওভোটাই আনিবলৈ নীতি আদৰ্শবোৰ মানিব লাগিব, তেতিয়াহে সমাজখন নিকা হ'ব লগতে সুন্দৰ হ'ব। নহ'লে এই উচ্ছৃংখল স্বভাৱে এদিন গোটেই সমাজখনকে গ্ৰাস কৰি পেলাব। এতিয়াও সময় আছে নিজকে সংশোধন কৰাৰ, মূল সুঁতিলৈ উভতি আহি এগৰাকী সুনাগৰিক হিচাপে গঢ় দিয়াৰ। নহ'লে অনাগত ভৱিষ্যত ঘোৰ অন্ধকাৰ।

**ম'বাইল ঃ** ৮৪৮৬০-৮৭৯১৯

# ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকালৈ একাঁজলি শ্ৰদ্ধাঞ্জলি

■ **সমুজ্বল ডেকা**, ৰঙিয়া

নিশ্চিতভাৱে ক'ব লাগিব যে ৰাজ্যত প্ৰাতঃস্মৰণীয় সংগীতজ্ঞ বিশাল ব্যক্তিত্বৰ অধিকাৰী ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উপলক্ষে সুধাকণ্ঠক একাঁজলি শ্ৰদ্ধাঞ্জলি জনোৱাৰ নিমিত্তে চৰকাৰী তথা বেচৰকাৰীভাৱে বৃহৎ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে অসমৰ বিভিন্ন ঠাইৰ লগতে অসম সাহিত্য সভাই আন্তঃৰাষ্ট্ৰীয় অনুষ্ঠান পালনৰ প্ৰস্তুতি চলাইছে। ২০২৬ চনৰ ভিতৰত অসম সাহিত্য সভাৰ বিদেশী শাখাবোৰেও উদ্‌যাপন কৰিব শতবৰ্ষ অনুষ্ঠান। ৰাচিয়া, গ্ৰেট ব্ৰিটেইন, ছুইজাৰলেণ্ড, জাৰ্মানী, ছিংগাপুৰ, দক্ষিণ আফ্ৰিকা, কুৱেট, ইউৰোপ আদি দেশত অনুষ্ঠান আয়োজন হ'ব। ভাৰতৰ বিভিন্ন ৰাজ্যতো অসমৰ বাহিৰে দিল্লী, আহমেদাবাদ, শ্বিলং, ত্ৰিপুৰা, অৰুণাচল, নাগালেণ্ড, মুম্বাই, কলকাতা আৰু উৰিষ্যাতো শাখা সাহিত্য সভাই শতবৰ্ষ পালন কৰিব। গতিকে ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ সৃষ্টিৰ বৃষ্টি বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ অসম সাহিত্য সভাই লোৱা সুন্দৰ পদক্ষেপক আন্তৰিক ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

**ম'বাইল ঃ** ৭৫৭৮৮-৮০৯৩৩

## ফাঁচীকাঠত ওলমা সূৰ্য্য

**বলিন বৰদলৈ**
আলামি, গোলাঘাট

নিশ্চিদ্ৰ অন্ধকাৰৰ কাঠগড়াত
ওলমি থাকে অসহায় হৈ সূৰ্য্যটো
ভাস্বত্ব হৈও মৃত, আহত অথচ জীৱন্ত ছবিবোৰ
অৰণ্যৰ বুকুত ৰ'দালিৰ স্বপ্ন
উৎখাত সংগ্ৰামী সেউজ মাতাল বতাহ।
পুৱাই মূৰত লৈ সূৰ্য্যটো
আবেলি ওভতে পিঠিত লৈ
উদঙাই দিয়ে ক্ৰোধান্বিত জোৰ -
অন্তৰ্ভেদী যোৱা প্ৰেমৰ সোণালী জাহাজ
বুকুত সমীৰণৰ অকাল বিয়োগ সংবাদ বেদনা
সম্প্ৰতি সঁচা মন, মৰম, হৃদয়
আস্থা ক'তোৰেই নাই।
ঈৰ্ষা আৰু হিংসাৰ ইস্পাত প্ৰেম আৰু প্ৰত্যাশাৰ
ৰক্তাক্ত সূৰ্য্যৰ শ্বাসৰুদ্ধ বসন্ত।
বলাৎকাৰ তথা ধৰ্ষণৰ বীভৎস চিৎকাৰ
অনাবিল অসভ্যতাই ঢাকি দিয়ে
সভ্যতাৰ নিভাঁজ সৰলতা
সৰল মানুহ নিষ্পাপ মুখাছবি।
নিঃস্ব নগ্নপদ অমল শইচ সুঘ্ৰাণ
প্ৰভাতী সুৰুজ ওলমি আছে অপ্ৰত্যাশিত
অসহায় হৈ নিশ্চিদ্ৰ অন্ধকাৰৰ কাঠগড়াত।
এচেৰেঙা কোমল ৰ'দৰ দুখৰ দীঘল হুমুনিয়াহ
যন্ত্ৰৱৎ জীৱন গ্লানিৰ ক্লীৱতা দুচকুৰ দুফোটা চকুলো,
হৃদপিণ্ডৰ অচল মৃত্যু অমৰ সৃষ্টি।
অস্তগামী সুৰুজৰ হেঙুলীয়া পৰীক্ষা
আকাশ ৰাঙলী দুখ বেদনা মিশ্ৰিত
কালপুৰুষ তৰোৱাল অন্তৰীক্ষত জ্বলে
ঢলি পৰে ৰ'দালিজনী ধূসৰ পথাৰৰ
মুকলি বেৰত আউজি।

**ম'বাইল ঃ** ৯৪০১৮-৭৬৭২৮



## এক ৰূঢ় বাস্তৱ সত্য বিচাৰি

**কাঞ্চন সাউদ বৰা**
গুৱাহাটী

বিষাদিত হৃদয়েৰে
বহু যোজন বাট খোজ কাঢ়িলোঁ
মৌন অনুভৱেৰে
হৃদয়খন থকাসৰকা কৰিলোঁ
পাৰ কৰিলোঁ বহু উজাগৰ ৰাতি
নীৰৱতাৰ সতে কথা পাতি।
বহু কঠিন সময়ত অকলেই যুঁজিলো
অন্তসত্বাক বুজনি দি দি
ভাগৰি পৰিলোঁ।
দুখৰ চিনস্বৰূপে শিতানৰ গাৰুটো
সাক্ষী কৰিলোঁ
প্ৰতিটো ক্ষণতেই অনুভৱ কৰিছোঁ
মোৰ জীৱনৰ জীয়া বাস্তৱ ছবি।
বুকুত মৰসাহ গোটাই
মোৰ প্ৰতিটো সিদ্ধান্তকে
সঁচা প্ৰমাণেৰ প্ৰমাণিত কৰি
আগ বাঢ়ি গৈ আছোঁ
জীৱনৰ কাঁইটীয়া বাটকো নেওচি।
ভাগৰি যোৱা নাই কেতিয়াও
থমকি ৰোৱা নাই কাহানিও।
মনক কৰিছোঁ দৃঢ় বিশ্বাস
ঈশ্বৰক কৰিছোঁ সাৰথি
সপোনক বাস্তৱ ৰূপ দিবলৈ
জীৱনক তেজাল ঘোঁৰা সজাই
দৌৰিছোঁ মাথোঁ সপোনৰ পিছে পিছে
এক ৰূঢ় বাস্তৱ সত্য বিচাৰি।

**ম'বাইল ঃ** ৬৯০১০-৭৬৩৭৯



## সংকল্প

**প্ৰভাত বণিয়া**

ঘোপ মৰা আন্ধাৰতো জিলিকি থাকে
নক্ষত্ৰৰ দৰে সাচতীয়া ভাৱনাবোৰ

ৰ'দে পুৰিব নোৱাৰে
বৰষুণত উটি ভাঁহি নাযায়
ধুমুহাই সাৰি মচি নিব নোৱাৰে
সঁজাল জিলমিল মোৰ বুকুৰ
পোৱাল মণি

চেতনাত উপলব্ধ ৰণ জিকাৰ অভিলাষ
সদা জাগ্ৰত ভাৱনাই মোক
প্ৰস্তুত কৰি তোলে
মই অতিক্ৰম কৰোঁ দেৱালৰ পিছত দেৱাল
পোহৰৰ সৈতে লগ হৈ আন্ধাৰৰ বিৰুদ্ধে আজি
এঘড়ী যুজাৰ মন
আকাশ চুবলৈ মেলি দিওঁ মোৰ
দুয়ো হাত
ধ্বংস হ'ব আন্ধাৰৰ অংহকাৰ
উত্তোলন হ'ব বিজয় নিচান।

## প্ৰয়োজনৰ পৰিসমাপ্তি

**নাচিমা য়াচমিন,**
বিশ্বনাথ চাৰিআলি

প্ৰয়োজনৰ পৰিসমাপ্তি হ'লেই,
মানুহৰ আচৰণতো পৰিৱৰ্তন হয়।
যিজনে এসময়ত সান্নিধ্য বিচাৰিছিল,
আজি সেইজনেই বিৰক্তিৰ চাৱনিত
মুখ ঘূৰাই লয়।
প্ৰতিটো সম্পৰ্ক সম নহয়,
কিছুমান সম্পৰ্ক জীৱনত
স্থায়িত্ব পায় যত্নত,
আৰু কিছুমান সম্পৰ্ক নিৰ্ভৰশীল হয়
কেৱলমাত্ৰ প্ৰয়োজনৰ ভৰত।
সেয়েহে,
যেতিয়া কোনোবাই যদি
তোমাৰ ওচৰত উপস্থিত থাকে,
নিশ্চিত হোৱা অত্যন্ত জৰুৰী
তেওঁ প্ৰকৃততে কি বিচাৰে,
তোমাক নে,
তোমাৰ প্ৰয়োজনখিনিক?

## সময়ৰ চাকনৈয়াত জীৱনৰ গতি

**যমুনা দুলু বৈশ্য**
শুৱালকুছি

জীৱন পৰিক্ৰমাৰ বৰ্ণিল যাত্ৰাত
কন্টকময় জীৱন বৰ কষ্টকৰ
সেউজীয়া ভেটিটো লক্ষ্যস্থান পাবলৈ
সময়ৰ স'তে সংগ্ৰামৰ এমুঠি ৰ'দ।
এন্ধাৰৰ মাজতো পোহৰৰ
সমিধান বিচাৰি,
বুকুৰ সেউজীয়াবোৰ বাস্তৱৰ স'তে
অনুভৱ কৰো,
ভালপোৱা সৰগীয় অনুভূতি,
বুঢ়া লুইতৰ বুকুত চাকনৈয়া
আলফুলীয়া কোমল হৃদয়ত
জাকৰুৱা সপোনবোৰে উটিযায়
উজাই আহি লানি নিছিগা ধাৰেৰে
বৈ থাকে, প্ৰৱাহমান সময়ৰ গতিৰে,
এনেকৈ ফুলিথাকে নৰমল্লিকা গুঞ্জন
বকুলৰ সুৱাস বিচাৰি
নিঃশব্দে হেঁপাহতে নাচে,
ঘৰমুৱা বেলিটোৰ
মৰমৰে আঁচলত বান্ধো
হেঙুলীয়া আভাৰে, জীৱনৰ গতি।

# বংশৰ ভৃংগেশ্বৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ইন্দ্ৰ কান্ত বৈশ্যক কৃতী শিক্ষকৰ বঁটা



**ৰমেন ভৰালী, বংশৰ ঃ** কামৰূপ জিলা প্ৰশাসন আৰু শিক্ষা বিভাগ, কামৰূপৰ উদ্যোগত যোৱা ৫ ছেপ্টেম্বৰত আমিনগাঁও বায়োটেক পাৰ্ক প্ৰেক্ষাগৃহত ৬৪ তম সংখ্যাক শিক্ষক দিৱস পালন কৰা হয়। হাজো শিক্ষা খণ্ডৰ বংশৰ ক্লাছটাৰৰ অন্তৰ্গত বংশৰ ভৃংগেশ্বৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক ইন্দ্ৰ কান্ত বৈশ্যই এই জিলা কৃতী শিক্ষক বঁটা লাভ কৰি বৃহত্তৰ বংশৰ অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে। উল্লেখ্য কৰা ভাল হ'ব যে ইন্দ্ৰ কান্ত বৈশ্যই বৃহত্তৰ বংশৰ অঞ্চললৈ শিক্ষাৰ লগতে সামাজিক, সাংস্কৃতিক ক্ষেত্ৰখনত বিভিন্ন দিশত বিশিষ্ট বৰঙণি আগবঢ়াই আহিছে। ইতিমধ্যে কৃতী শিক্ষকৰ বঁটা লাভ কৰা বৈশ্যই বিভিন্ন সময়ত বিভিন্ন ধৰণে সন্মান লাভ কৰি আহিছে বিশেষকৈ অসম গাঁওৰক্ষী বাহিনীৰ সাহসী বঁটা (১৯৯০), বিশ্ব জ্যোতি ক্লাবৰ পৰা বিশিষ্ট সমাজকৰ্মী বঁটা (২০১১), অসম সাহিত্য সভাৰ স্বৰ্ণ শাখা সদৌ বংশৰ লকঞ্জখী সাহিত্য সভাৰ পৰা কৰুণা কান্ত দাস সাংস্কৃতিক বঁটা (২০১৮), ক্ৰিয়েটিভ ডেঞ্চ একাডেমীৰ পৰা 'ঘোষক' বঁটা (২০১৯), নৱৰূপ নাট্য গোষ্ঠী, বাক্সা (বি টি এ বি)ৰ সাংস্কৃতিক কৰ্মী বঁটা (২০২০), চুৰীয়া ফাউণ্ডেশ্যনৰ পৰা 'সন্মানীয় অতিথি' হিচাপে সম্বৰ্ধিত (২০২২), সদৌ বংশৰ ৰঙালী বিহু সন্মিলন সোণালী জয়ন্তী উদ্‌যাপন ৰ পৰা ওলগনি পত্ৰ (২০২২), New Express24ৰ পৰা 'সমাজ কৰ্মী' বঁটা (২০২৪), কামৰূপ জিলাৰ শ্ৰেষ্ঠ BLO বঁটা (২০২৫), ৪৮তম শ্ৰী শ্ৰীকৃষ্ণৰ সুৰৰী মহোৎসৱ শ্ৰী শ্ৰী গোপাল থান, আমবাড়ীৰ পৰা 'কৃতজ্ঞতা পত্ৰ' (২০২৫), শুৱালকুছি যুৱ নৱজাগৰণ সংঘৰ পৰা 'বিশিষ্ট সমাজকৰ্মী তথা শিক্ষক' বটা (২০২৫) লাভ কৰে। বিদ্যালয়খনত বিদ্যাৰম্ভ, বিষ্ণু ৰাভা দিৱস, জ্যোতি দিৱস, ভূপেন্দ্ৰ দিৱস, গণৰাজ্য দিৱস, স্বাধীনতা দিৱস, শিক্ষক দিৱস, শিশু দিৱস, শৈক্ষিক মেলা, খেল-ধেমালি, বাৰ্ষিক বঁটা বিতৰণী, মাতৃ গোট, শনিবৰীয়া ক্লাব, ছাত্ৰ সংসদ আৰু সমাজৰ সমল ব্যক্তিৰ দ্বাৰা বিভিন্ন শৈক্ষিক সভা অনুষ্ঠিত কৰি আহিছে। উক্ত সভাত অসম অগ্নি আৰু দুৰ্যোগ প্ৰশাসন সেৱাৰ উপ-সঞ্চালক, বিশিষ্ট কবি নন্দ সিং বৰক'লা, কামৰূপ জিলাৰ উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্ত, অতিৰিক্ত জিলা আয়ুক্ত সুজতা গগৈ, কামৰূপ বিদ্যালয় সমূহৰ পৰিদৰ্শক তপন কুমাৰ কলিতা, জিলা আঁচনি বিষয়া (সমগ্ৰ শিক্ষা) ফুলপাহি নাথে বক্তব্য ৰাখে।

# নগাঁৱত ক্ষেত্ৰ পৰ্যায়ৰ বিত্তীয় স্বাক্ষৰতা শিবিৰ সম্পন্ন



**নগাঁৱৰ বিশেষ প্ৰতিবেদক ঃ** 'ৰিজাৰ্ভ বেংক অফ ইণ্ডিয়া' (আৰ বি আই)ৰ 'ফাইনেন্সচিয়েল ইনক্ল'জিয়ন এণ্ড ডেভেলপমেণ্ট ডিপাৰ্টমেণ্ট' (FIDD)ৰ উদ্যোগত নগাঁৱৰ হোটেল বিদিশাত যোৱা ৮ ছেপ্টেম্বৰত ক্ষেত্ৰ পৰ্যায়ৰ এক বিত্তীয় সাক্ষৰতা শিবিৰ অনুষ্ঠিত হৈ যায়। এই উপলক্ষে অনুষ্ঠিত অনুষ্ঠানত আৰ বি আইৰ বেংকিং লোকপাল, নোট চিনাক্তকৰণ বিষয়, ডিজিটেল বিত্তীয় প্ৰৱঞ্চনাকে ধৰি বিভিন্ন বিষয়ৰ ওপৰত আলোচনা কৰা হয়। শিবিৰত আৰ বি আইৰ এল ডি অ' সন্তোষ কুমাৰ, অভিনৱ দেব, সুব্ৰত ৰয়, পিনাক কান্তি নাগ, পঞ্জাৱ নেচনেল বেংকৰ নগাঁৱৰ এল ডি এম মণিৰাম বসুমতাৰী, এছ আৰ এল এমৰ ডি পি এম প্ৰবাল সান্দিল্য, ডি এফ আই মফিদুল হুছেইন, নগাঁও ছোৱালী মহাবিদ্যালয়ৰ সহঃ অধ্যাপিকা মনিষা বৰুৱা আদিয়ে বিভিন্ন বিষয়বস্তু সম্পৰ্কে আলোকপাত কৰে। অনুষ্ঠানৰ আদৰণি ভাষণ প্ৰদান কৰে ক্ষেত্ৰ পৰিচালক শান্তনু কুমাৰ শইকীয়াই। শতাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত এই অনুষ্ঠানৰ আৰম্ভণিতে সুধাকণ্ঠৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন, পুষ্পাঞ্জলি অৰ্পণেৰে শ্ৰদ্ধাঞ্জলি জনোৱা হয়। মানি ওৱাইজ চি এফ এলৰ সদস্যসকলৰ সহযোগিতাত অনুষ্ঠিত এই অনুষ্ঠানৰ শলাগৰ শৰাই আগবঢ়ায় চি বি অ' মৃদুপৱন শইকীয়াই।

# শিৱসাগৰত আছুৱে উদ্‌যাপন কৰে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী

**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ উদ্যোগত ৮ ছেপ্তেম্বৰ, সোমবাৰে মহান সংগীত সাধক, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী ঐতিহাসিকভাৱে উদ্‌যাপন কৰা হয়। দিনজোৰা কাৰ্যসূচীৰে শিৱসাগৰ নগৰৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা শিশু উদ্যানত উদ্‌যাপন কৰা এই জন্মদিনত শতাধিক ছাত্ৰ-ছাত্ৰী, জ্যেষ্ঠ নাগৰিক আৰু সংগঠনৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে। আৰম্ভণিতে ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলনৰ জৰিয়তে শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ পাছত আমন্ত্ৰিত অতিথিৰূপে অংশগ্ৰহণ কৰা সংগীত শিল্পী জয়ন্ত দত্তৰ নেতৃত্বত উপস্থিত সকলোৱে অংশগ্ৰহণত 'মানুহে মানুহৰ বাবে' গীতটো পৰিৱেশন কৰি সুধাকণ্ঠ ড° ভূপেন হাজৰিকাক স্মৰণ কৰা হয়। এই বিশেষ অনুষ্ঠানত ড° ভূপেন হাজৰিকাৰ বিভিন্ন গীত, সুৰ, শিল্পধাৰা আৰু সমাজ জীৱনত তেওঁৰ অৱদানৰ বিষয়ে আলোচনা কৰা হয়। উল্লেখযোগ্য যে, ড° ভূপেন হাজৰিকা কেৱল সংগীতৰ জৰিয়তে নহয়, সমাজ-সংস্কৃতিৰ প্ৰতিটো ক্ষেত্ৰতে অসম তথা ভাৰতক বিশ্বমঞ্চত প্ৰতিনিধিত্ব কৰিছিল বুলি বক্তাসকলে অনুভৱ ব্যক্ত কৰে। শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত আছুৰ কৰ্মীসকলে ভূপেন হাজৰিকাৰ সৃষ্টিৰাজি নতুন প্ৰজন্মৰ মাজত সঠিকভাৱে পৰিচিত কৰোৱাটো অতি প্ৰয়োজন বুলি কয়। লগতে ইয়াৰ বাবে শীঘ্ৰেই বিশেষ প্ৰচেষ্টা আৰম্ভ কৰা হ'ব বুলিও অৱগত কৰে। জিলা আছুৰ উদ্যোগত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ দিনটো শিৱসাগৰত সমাদৰপূৰ্ণ আৰু সাফল্যমণ্ডিতভাৱে কাৰ্যসূচী ৰূপায়ণ কৰা পৰিলক্ষিত হয়।

*প্ৰথম পৃষ্ঠাৰ পৰা*

## প্ৰধানমন্ত্ৰী মোদীৰ ১৪ ছেপ্টেম্বৰৰ প্ৰস্তাৱিত দৰং ভ্ৰমণৰ

কোটি টকা প্ৰকল্প ব্যয়েৰে ব্ৰহ্মপুত্ৰৰ ওপৰত নাৰেংগী-কুৰুৱা সংযোগী দলং আৰু গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব। স্মৰ্তব্য যে, অভিলাষী গুৱাহাটী ৰিং ৰোড প্ৰকল্পই কামৰূপ মহানগৰ, কামৰূপ, দৰং জিলাৰ উপৰি মেঘালয়ৰ ৰি-ভই জিলাকো সামৰি ল'ব। প্ৰধানমন্ত্ৰীয়ে দৰং মেডিকেল কলেজ চৌহদত লক্ষাধিক লোকৰ উপস্থিতিৰে আয়োজিত এক জনসভাকো সম্বোধন কৰিব। প্ৰধানমন্ত্ৰীৰ সভাৰ এই সমূহ কাৰ্যসূচী নিখুঁতভাৱে আয়োজন কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে প্ৰশাসনক যাৱতীয় নিৰ্দেশনা প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে সংবাদ মাধ্যমৰ আগত সদৰী কৰে যে প্ৰধানমন্ত্ৰী মোদীৰ এই কাৰ্যসূচীৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। লক্ষাধিক লোকৰ সমাগমেৰে অনুষ্ঠিত হ'বলগীয়া এই সভাখন জনসাধাৰণৰ সহযোগিতাৰে সাফল্যমণ্ডিত হ'ব বুলিও তেওঁ আশা প্ৰকাশ কৰে। এই পৰিদৰ্শন আৰু পৰ্যালোচনাৰ সময়ত জনস্বাস্থ্য কাৰিকৰী আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, বিধায়ক ড° পৰমানন্দ ৰাজবংশী, দিগন্ত কলিতা, বসন্ত দাস আৰু প্ৰাক্তন বিধায়ক তথা অসম মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাসৰ লগতে জিলা আয়ুক্ত আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষক প্ৰমুখ্যে প্ৰশাসনৰ শীৰ্ষ বিষয়ববীয়াসকল উপস্থিত থাকে।

## ৯ ছেপ্টেম্বৰ ২০২৫ তাৰিখে অনুষ্ঠিত হোৱা কেবিনেট

এই সিদ্ধান্তৰ ফলত তেওঁলোকে অন্যান্য প্ৰত্যক্ষভাৱে নিযুক্তি লাভ কৰা পদবীৰ কৰ্মচাৰীৰ সমানে বেতনৰ সুবিধা লাভ কৰিব।

- ৰাজ্য চৰকাৰৰ কেবিনেটে ভাৰত চৰকাৰে জাৰি কৰা মডেল এক্ট, ২০১৭ ৰ সৈতে সামঞ্জস্য ৰাখি অসম কৃষিজাত উৎপাদন আৰু পশুধন বিপণন (প্ৰচাৰ আৰু প্ৰসাৰ) আইন, ২০২০ ৰ সংশোধনত অনুমোদন জনায়। এই পদক্ষেপে ৰাজ্যৰ কৃষি বজাৰ ব্যৱস্থাক অধিক আধুনিক, স্বচ্ছ আৰু প্ৰতিযোগিতামূলক কৰি তুলি ক্ষুদ্ৰ আৰু উপান্ত কৃষকসকলে উচিত মূল্য লাভ কৰাত সহায় কৰিব।
- কেবিনেটে Immigrants (Expulsion from Assam) Actৰ অধীনত আদৰ্শ পৰিচালনা বিধি (SOP) প্ৰস্তুত কৰণত অনুমোদন জনায়। ইয়াৰ জৰিয়তে জিলা আয়ুক্ত আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষকসকলে অবৈধ অনুপ্ৰৱেশকাৰীক চিনাক্ত আৰু বহিষ্কৰণৰ ক্ষেত্ৰত প্ৰয়োজনীয় নিৰ্দেশনা লাভ কৰিব। চুবুৰীয়া দেশৰ পৰা ৰাজ্যত চলি থকা অবৈধ অনুপ্ৰৱেশ প্ৰতিৰোধ কৰি খিলঞ্জীয়া জনসাধাৰণৰ অধিকাৰ সুৰক্ষা কৰাত এই সিদ্ধান্তই সহায় কৰিব।

- অবৈধ অনুপ্ৰৱেশকাৰী চিনাক্তকৰণঃ
  - জিলা আয়ুক্তই আৰক্ষী বা অন্যান্য উৎসৰ পৰা কোনো এগৰাকী ব্যক্তি সন্দেহজনক অবৈধ অনুপ্ৰৱেশকাৰী বুলি তথ্য লাভ কৰিলে, তেওঁ সংশ্লিষ্ট ব্যক্তিগৰাকীক ১০ দিনৰ ভিতৰত নাগৰিকত্বৰ সাক্ষ্য জমা কৰিবলৈ নিৰ্দেশ দিব।
  - যদি জিলা আয়ুক্তই অনুভৱ কৰে যে সন্দেহজনক অবৈধ অনুপ্ৰৱেশকাৰীগৰাকীয়ে ভাৰতীয় নাগৰিকত্ব প্ৰমাণৰ বাবে দাখিল কৰা সাক্ষ্য যথেষ্ট বা সন্তোষজনক নহয়, তেনে পৰিস্থিতিত সেই ব্যক্তিগৰাকীক অবৈধ অনুপ্ৰৱেশকাৰী বুলি চিনাক্ত কৰি তেওঁ ব্যক্তিগৰাকীৰ মন্তব্য লিখিত ৰূপত নথিভূক্ত কৰিব য'ত সংক্ষিপ্ত ৰূপত তথ্য যুক্তি আৰু প্ৰমাণসহ কাৰণ উল্লেখ থাকিব।

- বহিষ্কৰণৰ আদেশঃ
  - জিলা আয়ুক্তই ১৯৫০ চনৰ আইনৰ ধাৰা ২(ক) ৰ অধীনত অবৈধ অনুপ্ৰৱেশকাৰীক ২৪ ঘণ্টাৰ ভিতৰত নিৰ্দিষ্ট পথেৰে অসমৰ পৰা বহিষ্কাৰ কৰিবলৈ আদেশ জাৰি কৰিব।
  - বিদেশী ন্যায়াধীকৰণৰ দ্বাৰা বিদেশী হিচাপে ঘোষিত ব্যক্তিসকলৰ ক্ষেত্ৰত জিলা আয়ুক্তই প্ৰত্যক্ষ বহিষ্কৰণৰ আদেশ জাৰি কৰিব কাৰণ তেওঁলোকৰ ক্ষেত্ৰত কোনো চিনাক্তকৰণ প্ৰক্ৰিয়াৰ প্ৰয়োজন নাথাকিব যিহেতু তেওঁলোকে ইতিমধ্যে উচ্চ ন্যায়ালয় আৰু উচ্চতম ন্যায়ালয় পৰ্যন্ত আইনী প্ৰতিকাৰৰ সকলো সুবিধা ব্যৱহাৰ কৰি শেষ কৰিছে।
  - কোনো এগৰাকী ব্যক্তি অবৈধ অনুপ্ৰৱেশকাৰী হিচাপে চিনাক্ত হোৱাৰ লগতে বহিষ্কৰণৰ আদেশ জাৰিৰ পাছত জিলা আয়ুক্তই সংশ্লিষ্ট অবৈধ অনুপ্ৰৱেশকাৰীক ব্যক্তিগৰাকীৰ বায়'মেট্ৰিক আৰু অন্য তথ্য সংগ্ৰহ কৰি বিদেশী চিনাক্তকৰণৰ প'ৰ্টেলত সংৰক্ষণৰ বাবে জ্যেষ্ঠ আৰক্ষী অধীক্ষলৈ প্ৰেৰণ কৰিব।

- বহিষ্কৰণ প্ৰক্ৰিয়াঃ
  - বহিষ্কৰণৰ আদেশ লাভ কৰিও যদি কোনো অবৈধ অনুপ্ৰৱেশকাৰীয়ে নিজে অসম ত্যাগ নকৰে, তেন্তে জিলা আয়ুক্তই জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ সহায়ত ১৯৫০ চনৰ আইনৰ ধাৰা ৪ অনুসৰি তেনে ব্যক্তিক হোল্ডিং চেণ্টাৰত ৰাখিব অথবা ব্যক্তিগৰাকীক বহিষ্কৰণৰ বাবে নিকটৱৰ্তী সীমান্ত সুৰক্ষা বাহিনীৰ হাতত অৰ্পণ কৰিব।
  - অবৈধ অনুপ্ৰৱেশকাৰী জিৰো লাইন সংলগ্ন স্থানত বা ৰাজ্যত প্ৰৱেশ কৰাৰ ১২ ঘণ্টাৰ ভিতৰত ধৰা পৰিলে কোনো অতিৰিক্ত প্ৰক্ৰিয়া নকৰাকৈ তৎক্ষণাত খেদি পঠিওৱা হ'ব।

# শোণিতপুৰত অসম যুৱ ব্ৰাহ্মণ সমাজৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন




**চন্দন শৰ্মা, তেজপুৰ ঃ** অসম যুৱ ব্ৰাহ্মণ সমাজৰ কাৰ্যনিৰ্বাহক সভাখন শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ মাধৱ প্ৰদীপ সংস্কৃত টোলৰ প্ৰাংগণত দিনজোৰা বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত হয়। পুৱাৰ ভাগত অসম যুৱ ব্ৰাহ্মণ সমাজৰ সভাপতি নিপু কুমাৰ শৰ্মাই পতাকা উত্তোলন কৰি কাৰ্যসূচীৰ শুভাৰম্ভণি কৰে। পতাকা উত্তোলন কৰি সভাপতি নিপু কুমাৰ শৰ্মাই ভাষণত গেৰুৱা ৰং ত্যাগৰ প্ৰতীক বুলি উল্লেখ কৰাৰ লগতে ভাৰতীয় সনাতন সংস্কৃতিত ত্যাগ এক শক্তি বুলি উল্লেখ কৰে। ইতিমধ্যে স্বৰ্গগামী হোৱা ব্যক্তিসকলৰ আত্মাৰ সদ্গতি লাভ কৰাৰ উদ্দেশ্যে স্মৃতি তৰ্পণ কৰে অসম ব্ৰাহ্মণ সমাজৰ প্ৰাক্তন সম্পাদক প্ৰধান অতুল ভট্টাচাৰ্যই। দিনৰ ভাগত অসম যুৱ ব্ৰাহ্মণ সমাজৰ সভাপতি নিপু কুমাৰ শৰ্মাৰ সভাপতিত্বত কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অসম ব্ৰাহ্মণ সমাজৰ সম্পাদক প্ৰধান তুতুল বৰঠাকুৰে বৰ্তমান সময়ত যুৱক-যুৱতী সকলৰ মাজত হোৱা উশৃংখল সকলোৰে প্ৰচেষ্টাত ৰোধ কৰিব লাগিব বুলি উল্লেখ কৰাৰ উপৰিও এখন সমাজ সুস্থিৰভাৱে চলিবলৈ আধ্যাত্মিকভাৱেও যুৱশক্তিক আগুৱাই নিব লাগিব বুলি উল্লেখ কৰে। তদুপৰি মাতৃসকলে সন্তানক সৰুৰে পৰা আধ্যাত্মিকতাৰ জ্ঞান দিব লাগিব। তেতিয়াহে যুৱশক্তিয়ে উশৃংখল সমাজ সংস্কাৰ কৰিব পাৰিব বুলি সম্পাদক প্ৰধান গৰাকীয়ে ভাষণত গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। অসম যুৱ ব্ৰাহ্মণ সমাজৰ সম্পাদক উদ্দীপ্ত কাশ্যপে আঁতধৰা গাম্ভীৰ্যপূৰ্ণ সভাত যুৱ ব্ৰাহ্মণ সমাজৰ কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি বকুল শৰ্মাই অংশ গ্ৰহণ কৰি ভাষণত যুৱশক্তিক শৈক্ষিক, সামাজিক, সাংস্কৃতিক, ক্ৰীড়া, ৰাজনৈতিক আৰু অৰ্থনৈতিকভাৱে আগুৱাই নিব লাগিব বুলি উল্লেখ কৰাৰ লগতে যুৱকসকলে কেনেকৈ সমাজৰ বাবে কাম কৰিব, তাৰ ওপৰত বিস্তৃতভাৱে আলোকপাত কৰে। শোণিতপুৰ জিলা যুৱ ব্ৰাহ্মণ সমাজৰ সভাপতি মনটি শৰ্মাই মঙ্গলাচৰণ কৰা সভাত অসম যুৱ ব্ৰাহ্মণ সমাজৰ উপ-সভাপতি ৰূপাংকৰ শৰ্মা, সহঃসম্পাদক চন্দন বৰঠাকুৰ, অসম ব্ৰাহ্মণ সমাজৰ উপ-সভাপতি ক্ৰমে কামাখ্যা প্ৰসাদ শৰ্মা, চন্দেশ্বৰ শৰ্মাকে ধৰি বহুকেইগৰাকী অসম ব্ৰাহ্মণ সমাজ, অসম যুৱ ব্ৰাহ্মণ সমাজৰ বিষয়ববীয়া তথা সদস্যসকলে বৰ্তমান সময়ত দেখা দিয়া সমস্যাৰ ওপৰত বিস্তৃতভাৱে আলোচনা কৰা হ'ল। মাধৱ আঞ্চলিক ব্ৰাহ্মণ সমাজৰ সম্পাদক অৰূপ ভাগৱতীয়ে আদৰণী ভাষণ প্ৰদান কৰা সভাত অসম যুৱ ব্ৰাহ্মণ সমাজৰ আগন্তুক কাৰ্যকালৰ বাবে বহুকেইটা প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সভাত অসম ব্ৰাহ্মণ সমাজৰ প্ৰাক্তন সম্পাদক প্ৰধান অতুল ভট্টাচাৰ্য, সহঃসম্পাদক শৈলেন বৰকটকী, কোষাধ্যক্ষ লক্ষীকান্ত শৰ্মাকে ধৰি অসমৰ বহুকেইখন জিলাৰ যুৱ ব্ৰাহ্মণ সমাজৰ বিষয়ববীয়াসকল উপস্থিত থাকে। ইফালে, পুৱাৰ ভাগত শোণিতপুৰ জিলা ব্ৰাহ্মণ সমাজৰ কাৰ্যনিৰ্বাহক সভাখনো অনুষ্ঠিত হয়। শোণিতপুৰ জিলা ব্ৰাহ্মণ সমাজৰ সভাপতি ক্ষীতিশ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা কাৰ্যনিৰ্বাহক সভাত জিলা সমাজৰ বহুকেইটা সমস্যাৰ সন্দৰ্ভত আলোচনা কৰা হয়। জিলা সহঃসম্পাদক শিশিৰ বৰঠাকুৰে আঁতধৰা কাৰ্যকৰী সভাত অসম ব্ৰাহ্মণ সমাজৰ সম্পাদক প্ৰধান তুতুল বৰঠাকুৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকি বহুকেইটা পৰামৰ্শ আগবঢ়ায়। সভাত শোণিতপুৰ জিলা ব্ৰাহ্মণ সমাজ, যুৱ ব্ৰাহ্মণ সমাজ আৰু মহিলা ব্ৰাহ্মণ সমাজৰ বিষয়ববীয়া তথা সদস্যসকল উপস্থিত থাকে।

# নগাঁৱত ধপাত বিৰোধী অভিযান

**নগাঁও ঃ** নগাঁও জিলাখনক ধঁপাতমুক্ত, পৰিষ্কাৰ আৰু সুস্থ পৰিৱেশ সুনিশ্চিত কৰিবলৈ নগাঁও জিলা আয়ুক্তই তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ দুখন গুৰুত্বপূৰ্ণ নিৰ্দেশনাৰ পৰিপ্ৰেক্ষিতত ইং ২ ছেপ্টেম্বৰ, ২০২৫ তাৰিখে জিলা ধপাত নিয়ন্ত্ৰণ কোষ, নগাঁৱৰ তত্বাৱধানত জিলা প্ৰশাসন, জিলা স্বাস্থ্য বিভাগ, জিলা আৰক্ষী প্ৰশাসন আৰু নগাঁও পৌৰসভাৰ সহযোগত চহৰখনৰ বিভিন্ন বিদ্যালয়, মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ সমীপত এক ধপাত বিৰোধী অভিযান চলোৱা হয়।

উক্ত অভিযানত, নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়, নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়, নগাঁও চক্ৰ বিষয়াৰ কাৰ্যালয়, ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়, আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় আদিৰ সমীপৰ বিপণীসমূহত চলোৱা তালাচীৰ জৰিয়তে বৃহৎ পৰিমাণৰ ধঁপাত জাতীয় সামগ্ৰী উদ্ধাৰ কৰা হয় আৰু পৰৱৰ্তীকালত জিলা প্ৰশাসনৰ তৰফৰ পৰা প্ৰকাশ কৰা নিৰ্দেশনা বিধি উলংঘাৰ কৰাৰ কাৰনে COTPA, 2003 অধীনত জৰিমনা বিহা হয়। উল্লেখযোগ্য যে, উক্ত অভিযানৰে সময়ছোৱাত ৰাজহুৱা স্থানত ধঁপাত সেৱন কৰা কেইবাগৰাকী লোককো নিয়ম উলংঘাৰ জৰিমনা বিহা হয়। এই অভিযান মূল উদ্দেশ্য হৈছে শিক্ষাৰ্থী, ৰোগী আৰু সাধাৰণ জনতাক ধূমপানৰ ক্ষতিকাৰক প্ৰভাৱ আৰু আইনী দিশসমূহৰ বিষয়ে জ্ঞাত কৰা। ধূমপান নিষিদ্ধ এলেকাত আইন ভংগকাৰী সকলক সতৰ্ক কৰা, বিদ্যালয় আৰু চিকিৎসালয়ৰ চাৰিওকাষে ধূমপান ৰোধ কৰা আৰু স্বাস্থ্যকৰ পৰিৱেশ সৃষ্টিৰ জৰিয়তে নগাঁও চহৰখনক ধূমপানমুক্ত চহৰ হিচাপে গঢ়ি তোলা।

এই অভিযানত, অতিৰিক্ত জিলা আয়ুক্ত শ্ৰী সুদীপ নাথ, অঃঅঃসেঃ, নগাঁও জিলাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ তপন কুমাৰ শইকীয়া, উপ-আৰক্ষী অধীক্ষক (সীমান্ত) শ্ৰীসূৰ্য্য কান্ত মৰাং, অঃআঃসেঃ, জিলা ধপাত নিয়ন্ত্ৰণ কোষৰ, জিলা নডেল বিষয়া ডাঃ ধৰিত্ৰী পাটোৱাৰী, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ জিলা আঁচনি প্ৰবন্ধক শ্ৰীঅনিৰ্বাণ বৰঠাকুৰ, পৌৰ প্ৰশাসন সঞ্চালকালয় (নগাঁও পৌৰসভা)ৰ নগৰীয়া কাৰিকৰী বিভাগৰ বিষয়া (AUES) শ্ৰীকুনাল কুমাৰ দাস, জিলা ধঁপাত নিয়ন্ত্ৰণ কোষৰ বিষয়া শ্ৰীপাৰ্থ প্ৰতিম সেনাপতি, নগাঁও জিলাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক কাৰ্যালয়ৰ শ্ৰীবিদ্যুৎ জ্যোতি বৰুৱা, শ্ৰীদীপুমণি মেধিকে প্ৰমুখ্য কৰি স্বাস্থ্য বিভাগ, আৰক্ষী প্ৰশাসনৰ বিষয়াসকল উপস্থিত থাকে।

# শুৱালকুছি মহাবিদ্যালয়ত বিশ্ব স্বাক্ষৰতা দিৱস উদ্‌যাপন

**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** বিশ্ব সাক্ষৰতা দিৱস উপলক্ষে শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ত শিক্ষা বিভাগৰ উদ্যোগত এক গাম্ভীৰ্যপূৰ্ণ সভা অনুষ্ঠিত হয়। শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপক ড° দীপুল কুমাৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত এই দিৱসৰ উদ্বোধনী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নিহাৰ ৰঞ্জন কলিতাই। তেওঁ ভাষণত কয়, "সাম্প্ৰতিক প্ৰেক্ষাপটত ডিজিটেল স্বাক্ষৰতাৰ প্ৰয়োজনীয়তা অস্বীকাৰ্য। নাগৰিকে যদি ডিজিটেল ক্ষেত্ৰত খোজে খোজে আগুৱাই নাযায়, তেন্তে দেশৰ আৰ্থ-সামাজিক উন্নয়নত যথোপযুক্ত অৱদান আগবঢ়াব পৰা নাযায়।" তদুপৰি, উপাধ্যক্ষ ড° যোগেশ ডেকাই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্য কৰি কয় যে, "ডিজিটেল যুগত কম্পিউটাৰ জ্ঞান আৰু প্ৰায়োগিক দক্ষতা অবিহনে আগুৱাই যোৱা অতি কঠিন। উন্নত দেশৰ সৈতে সমানে খোজ মিলাই যাবলৈ ইয়াৰ বিকল্প নাই।" শিক্ষা বিভাগৰ সহকাৰী অধ্যাপিকা ড° চাহানা শইকীয়াই "ডিজিটেল যুগৰ সুযোগ আৰু প্ৰত্যাহ্বান" শীৰ্ষক বিষয়ত সাৱলীল বক্তৃতাৰে উপস্থিত ছাত্ৰ-ছাত্ৰী সকলক উপকৃত কৰে। এই দিৱসত শিক্ষা বিভাগৰ পঞ্চম, তৃতীয় আৰু প্ৰথম সান্নাষিকৰ ছাত্ৰ-ছাত্ৰীসকলেও অংশগ্ৰহণ কৰে। তেওঁলোকে "ডিজিটেল যুগত সাক্ষৰতাৰ প্ৰসাৰ" বিষয়ত নিজৰ অভিমত প্ৰকাশ কৰাৰ লগতে বাৰে ৰহণীয়া সাংস্কৃতিক কাৰ্যসূচীৰে অনুষ্ঠানক অধিক আকৰ্ষণীয় কৰি তোলে। সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু শলাগৰ শৰাই আগবঢ়ায় শিক্ষা বিভাগৰ সহকাৰী অধ্যাপক ৰঞ্জিত টাকুৰে। সভাৰ অন্তত সভাপতিৰ সমাপনী ভাষণ আৰু অসমৰ জাতীয় সংগীতেৰে বিশ্ব স্বাক্ষৰতা দিৱস উদ্‌যাপন অনুষ্ঠানৰ সফল সামৰণি পৰে।

অসম চৰকাৰ

সুধাকণ্ঠৰ ১০০বছৰ



“বজ্ৰৰ কণ্ঠেৰে
ধুমুহাৰ শক্তিৰে
গীত গাই কঁপাম দিগন্ত।
দানৱৰ সমাজতো গাম মানৱৰ গীত
কলিজাৰ সঁচা সুৰ-সিক্ত।”

–ড° ভূপেন হাজৰিকা

বিশ্বজনীন মানৱ প্ৰেমেৰে
লুইতৰ পাৰৰ জাতীয় জীৱনক
চহকী কৰি আন্তৰ্জাতিক সাঁচত
ৰূপ দিয়া গণশিল্পীগৰাকীলৈ
জন্ম-শতবাৰ্ষিকীত অসমবাসীৰ
হৈ যাচিছোঁ সশ্ৰদ্ধ প্ৰণিপাত

ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

৮ ছেপ্টেম্বৰ ২০২৫ – ৮ ছেপ্টেম্বৰ ২০২৬

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

Janasanyog RO no 2030/25/12-September-25

# নদুৱাৰ সমষ্টিৰ অন্তৰ্গত বালিজুৰিত নদুৱাৰ সমষ্টি ভিত্তিক ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত খেলত অংশগ্ৰহণ পদ্ম হাজৰিকাৰ

## উত্তৰ নাগশংকৰ গাঁও পঞ্চায়তৰ ৩-২ গ'লৰ ব্যৱধানত জয়লাভ

**চন্দন শৰ্মা, তেজপুৰ ঃ** নদুৱাৰ সমষ্টিৰ অন্তৰ্গত বিভিন্ন জাতি জনগোষ্ঠীৰ মিলনভূমি বালিজুৰি খেলপথাৰত দেওবাৰে নদুৱাৰ বিধানসভা সমষ্টিৰ বিধায়ক তথা ভৰলীকোঁৱৰ পদ্ম হাজৰিকাৰ তত্বাৱধানত আৰু উত্তৰ নাগশংকৰ গাঁও পঞ্চায়তৰ উদ্যোগত প্ৰয়াত ধনপাল লিম্বু সোঁৱৰণী ২০২৫ বৰ্ষৰ নদুৱাৰ সমষ্টি ভিত্তিক ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত খেল অনুষ্ঠিত কৰে। কাৰ্যসূচী মৰ্মে প্ৰথমেই প্ৰয়াত ধনপান লিম্বুৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে অঞ্চলৰে জেষ্ঠ সমাজকৰ্মী ভক্ত গুৰুঙে। উক্ত চূড়ান্ত ফুটবল খেলখনত মূখ্য অতিথি ৰূপে অংশগ্ৰহণ কৰে নদুৱাৰ সমষ্টিৰ জনপ্ৰিয় বিধায়ক তথা ভৰলীকোঁৱৰ উপাধিৰে বিভূষিত পদ্ম হাজৰিকাই। বিধায়কগৰাকীয়ে তেখেতৰ ভাষণ প্ৰসংগত কয় যে - নদুৱাৰ সমষ্টিৰ অন্তৰ্গত বালিজুৰিত উত্তৰ নাগশংকৰ গাঁও পঞ্চায়তৰ উদ্যোগত প্ৰয়াত সমাজ সংগঠক ধনপাল লিম্বু সোঁৱৰণী ২০২৫ বৰ্ষৰ নদুৱাৰ সমষ্টি ভিত্তিক ফুটবল প্ৰতিযোগিতাৰ দেওবাৰে বালিজুৰি খেলপথাৰত অনুষ্ঠিত কৰা চূড়ান্ত ফুটবল খেলখনৰ শুভ উদ্বোধন কৰি আনন্দ অনুভৱ কৰিছোঁ। চূড়ান্ত খেলখনত উত্তৰ নাগশংকৰ বনাম লোক্ৰা গাঁও পঞ্চায়তৰ দুয়ো দলৰ প্ৰদৰ্শনত এজন ফুটবল অনুৰাগী ৰূপে সুখী হওঁ। মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰা বিধায়কগৰাকীক উদীয়মান চিত্ৰশিল্পী জিত তচাই বিধায়ক পদ্ম হাজৰিকাৰ চিত্ৰ অংকণ কৰি তেখেতক উপহাৰ হিচাপে প্ৰদান কৰে। উক্ত চূড়ান্ত খেলখনত উত্তৰ নাগশংকৰ গাঁও পঞ্চায়তৰ ফুটবল দলেও-২ গ'লৰ ব্যৱধানত লোক্ৰা গাঁও পঞ্চায়তৰ ফুটবল দলক পৰাস্ত কৰি জয়লাভ কৰিবলৈ সক্ষম হয় । বিধায়কগৰাকীৰ লগত সংগ দিয়ে শোণিতপুৰ জিলা বিজেপিৰ উপ-সভাপতি নিতুমনি বৰা, ক্ৰীড়া সন্থাৰ সংগঠক গৌতম লাহন, ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ চাহাবুদ্দিন আহমেদ, শোণিতপুৰ জিলা যুৱ মৰ্চাৰ উপ সভাপতি মাধুৰ্য্য বৰা, যুৱ সমাজকৰ্মী ইমামুদ্দিন ইনচান, বুলু আহমেদৰ লগতে বহুকেইজন বিশিষ্ট ব্যক্তিয়ে। উক্ত চূড়ান্ত খেলত প্ৰতিদন্দ্বিতা কৰা শ্ৰেষ্ঠ বিজয়ী দলক বিধায়ক পদ্ম হাজৰিকাই ট্ৰফী, মেডেল, চেক প্ৰদান কৰি দুয়ো দলকে আন্তৰিক শুভকামনা যাচে। ৰাইজৰ বিপুল সহাঁৰিৰে এক উত্তেজনামূলক খেল প্ৰদৰ্শন কৰা দেখা যায়।

# লেখক-সাংবাদিক পৰেশ বৈশ্যক দেৱান আব্দুল কাদিৰ সাহিত্য বঁটা




**গুৱাহাটী ঃ** লেখক-সাংবাদিক তথা বিশিষ্ট শিক্ষাবিদ পৰেশ বৈশ্যক ৫ ছেপ্টেম্বৰত হাউলীৰ ছাবলাইম একাডেমিত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ২০২৫ বৰ্ষৰ 'সাহিত্যিক পেঞ্চনাৰ অধ্যাপক দেৱান আব্দুল কাদিৰ সাহিত্য বঁটা' প্ৰদান কৰে। ফুলাম গামোচা, জাপি, ট্ৰফি, মানপত্ৰ, গ্ৰন্থৰ টোপোলা আৰু গছপুলিৰে তেখেতক এই বঁটা প্ৰদান কৰে। হাউলীৰ শৈক্ষিক প্ৰতিষ্ঠান ছাবলাইম ফাউণ্ডেচনে বিশিষ্ট সাহিত্যিক-শিক্ষাবিদ প্ৰয়াত দেৱান আব্দুল কাদিৰৰ স্মৃতিত প্ৰতিষ্ঠা কৰা উক্তটো বঁটা বিগত কেইবাবছৰো ধৰি ৰাজ্যৰ বিশিষ্ট সাহিত্যিকক প্ৰদান কৰি আহিছে। উল্লেখযোগ্য যে বৈশ্যই সাহিত্য, সংস্কৃতি, ইতিহাস, সাংবাদিকতা, শৈক্ষিক আদি বিষয়ৰ তিনি শতাধিক গ্ৰন্থ লিখি অসমীয়া সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰিছে। অনুষ্ঠানত সভাপতিত্ব কৰে অধ্যাপক ড° দেৱান নজৰুল কাদিৰে।






# ডিব্ৰুগড়ত জিলা পৰ্যায়ৰ 'আদি কৰ্মযোগী অভিযান'ৰ অভিমুখীকৰণ



**ষ্টাফ ৰিপ'ৰ্টাৰ ডিব্ৰুগড় ঃ** ডিব্ৰুগড় জিলা আয়ুক্ত কাৰ্যালয়ৰ প্ৰশিক্ষণ ভৱনত জিলা পৰ্যায়ৰ 'আদি কৰ্মযোগী অভিযান'ৰ অভিমুখীকৰণ কাৰ্যসূচী অনুষ্ঠিত হয়। উল্লেখযোগ্য যে, 'আদি কৰ্মযোগী অভিযান' হৈছে কেন্দ্ৰীয় চৰকাৰৰ জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ দ্বাৰা পৰিচালিত এক অভিলাসী তথা দূৰদৰ্শী আঁচনি, যাৰ মুখ্য উদ্দেশ্য হ'ল জনজাতীয় লোকসকলৰ জীৱন যাত্ৰাৰ মান উন্নত কৰি স্বাৱলম্বী কৰি তোলা। এই অভিযান কেৱল এটা কাৰ্যসূচী নহয়, বৰঞ্চ ই জনজাতীয় জনসাধাৰণক সামাজিক জীৱনত ইতিবাচক পৰিৱৰ্তন আনিবলৈ গ্ৰহণ কৰা এটি দীৰ্ঘম্যাদী কৌশল। এই আঁচনিৰ দ্বাৰা চৰকাৰী কৰ্মচাৰীসকলক উপযুক্ত প্ৰশিক্ষণ প্ৰদানৰ জৰিয়তে আদি কৰ্মযোগী হিচাপে সৱলীকৰণ কৰাৰ প্ৰচেষ্টা হাতত লোৱা হৈছে, লগতে স্বেচ্ছাসেৱী সংগঠন আদিকো এই পদক্ষেপত জড়িত কৰা হৈছে। জনজাতীয় অঞ্চলসমূহত সামৰ্থ বৃদ্ধি কাৰ্যসূচীৰ বাবে জিলা পৰ্যায়ৰ মাষ্টাৰ প্ৰশিক্ষণ সমিতি আৰু ব্লক পৰ্যায়ৰ মাষ্টাৰ প্ৰশিক্ষণ সমিতি সমূহ জিলাপৰ্যায় আৰু খণ্ড উন্নয়ন পৰ্যায়ত গঠন কৰা হৈছে। জিলা পৰ্যায়ৰ মাষ্টাৰ প্ৰশিক্ষকসকলে ইতিমধ্যে গুৱাহাটীত প্ৰশিক্ষণ গ্ৰহণ কৰিছে। জিলাখনত বৰ্তমানলৈকে ৬৩ খন জনজাতীয় গাঁও তালিকাভুক্ত হৈ আছে। 'আদি কৰ্মযোগী অভিযানৰ' অভিমুখীকৰণ কাৰ্যসূচীত উপস্থিত থাকি জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে কয় যে, ভাৰত চৰকাৰৰ জনজাতীয় পৰিক্ৰমা বিভাগে আৰ্থ-সামাজিক সুৰক্ষাজনিত চৰকাৰী আঁচনিসমূহৰ সফল ৰূপায়ণৰ জৰিয়তে জনজাতীয় সমাজখনৰ সৰ্বাংগীন উন্নয়নৰ লক্ষ্যৰে আৰম্ভ কৰা 'আদি কৰ্মযোগী অভিযান' সফল কৰিবলৈ হ'লে আৰম্ভণিৰে পৰাই প্ৰতিটো বিভাগে তৃণমূল পৰ্যায়লৈ গৈ জনসাধাৰণৰ বাস্তৱিক প্ৰয়োজনীয়তাসমূহ অনুধাৱন কৰিব লাগিব। এই অভিযানৰ দ্বাৰা চৰকাৰী আঁচনিসমূহে যাতে জিলাখনৰ প্ৰতিখন জনজাতীয় গাঁৱে ঢুকি পায় আৰু চৰকাৰী সা-সুবিধা সমূহ যাতে সঠিকভাৱে উপলব্ধ হয় সেয়া বিভাগসমূহে সুনিশ্চিত কৰিব লাগিব বুলিও তেওঁ নিজ বক্তব্যত উল্লেখ কৰে। জিলা আয়ুক্তগৰাকীয়ে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ আঁচনিসমূহৰ লাভালাভৰ বিষয়ে উক্ত অঞ্চল সমূহত বহুল প্ৰচাৰ কৰাৰ লগতে আঁচনিসমূহ যাতে উপযুক্ত ব্যক্তিয়ে লাভ কৰে তাৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়।






# পৰেশ বৈশ্য ফাউণ্ডেচনৰ শিক্ষা-সাংবাদিকতাৰ দিন

**গুৱাহাটী ঃ** শিক্ষাৰ উত্তৰণ আৰু সামাজিক পৰিৱৰ্তনৰ হকে গঠিত ন্যাস পৰেশ বৈশ্য ফাউণ্ডেচনে অহা ১৫ ছেপ্টেম্বৰত বিয়লি ৩ বজাত গুৱাহাটী প্ৰেছ ক্লাবত আয়োজিত এক অনুষ্ঠানত বিভিন্ন কাৰ্যসূচীৰে ১৮ সংখ্যক শিক্ষা-সাংবাদিকতাৰ দিন উদ্‌যাপন কৰিব। এই বছৰৰ শিক্ষা-সাংবাদিকতাৰ দিনৰ বিষয়বস্তু হ'ল 'যিবোৰ কথা শ্ৰেণীকোঠাত শিকোৱা নহয়'। এই বছৰৰ পৰা 'এডুকেৰে' নামৰ বিষয়বস্তু ভিত্তিক এখনি বছৰেকীয়া গৱেষণাধৰ্মী সংকলন নিয়মীয়াকৈ প্ৰকাশৰ ব্যৱস্থা কৰা হৈছে। উক্ত অনুষ্ঠানত 'এডুকেৰে'ৰ প্ৰথম সংখ্যাটো প্ৰকাশ পাব। অনুষ্ঠানত পৰেশ বৈশ্য ফাউণ্ডেচনে কামৰূপৰ পিয়লিখাটা মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক অতুল চন্দ্ৰ দাস আৰু মৰিগাঁও জিলাৰ চৰাইবাহীৰ শংকৰদেৱ বিদ্যা নিকেতনৰ উপ-প্ৰধান আচাৰ্যা নিজৰা পাতৰক ২০২৫ বৰ্ষৰ শ্ৰেষ্ঠ শিক্ষকৰ বঁটা; গুৱাহাটীৰ নীলাচল জাতীয় বিদ্যালয় আৰু উত্তৰ লক্ষীমপুৰ টাউন মডেল প্ৰাথমিক বিদ্যালয়ক ২০২৫ বৰ্ষৰ শ্ৰেষ্ঠ বিদ্যালয় বঁটা প্ৰদান কৰা হ'ব। উক্ত অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ ড° দয়ানন্দ পাঠক, বিশিষ্ট পৰিৱেশ বিজ্ঞানী ড° অৱনী কুমাৰ ভাগৱতী, বিশিষ্ট ইতিহাসবিদ ড° গজেন্দ্ৰ অধিকাৰী আৰু অসম শিশু শিক্ষা সমিতিৰ সচিব জগন্নাথ ৰাজবংশীয়ে বিশিষ্ট অতিথি হিচাপে ভাগ ল'ব বুলি ন্যাসৰ পৰিচালন ন্যাসৰক্ষী পৰেশ বৈশ্যই জনাইছে।

*স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।*
*Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &*
*Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor :* Pranati Bora
*Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,*

*সহকাৰী কাৰ্যবাহী সম্পাদক ঃ* পংকজ শইকীয়া
*সম্পাদক ঃ* প্ৰণতি বৰা